REFERENCE
(Not for Issue)

Reading Only Inside Library

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VII

**NO. 3**

The 12th March, 1985

1987

Printed at Assam Govt. (Mini) Press, Dispur, Guwahati-781006

REFERENCE
Not for Issue
Consult Only Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1985

( Budget Session )

**Volume — VII**

No. 3

Dated, the 12th March, 1985

Contents — Pages


| | |
|---|---|
| 1. Questions ... ... ... ... | 1—11 |
| 2. Report of the Business Advisory Committee | 11 |
| 3. Calling Attention Notice ... ... | 11—13 |
| 4. Debates on the Governor's Address ... | 14—27 |
| 5. Report of the Business Advisory Committee | 28 |
| 6. Obituary Reference ... ... ... | 28—29 |
| 7. Adjournment ... ... ... ... | 29 |

# STARRED

# QUESTIONS AND ANSWERS

(To which oral replies were given)

Date : 12th March, 1985.

বিঃ পৰিয়াল পৰিকল্পনা বিভাগ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ পৰিয়াল পৰিকল্পনা বিভাগে সন্তোষজনক কামৰ বাবদ পুৰস্কাৰ পোৱা হয় নে ?

(খ) যদি পুৰস্কাৰ পাইছে কিমান টকা পাইছে জনাবনে ?

(গ) পুৰস্কাৰ পোৱা টকাৰে কি কাম কৰিবলৈ বিচাৰিছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। (ক) হয়।

(খ) ১৯৮৩-৮৪ চনত চি, গ্ৰুপৰ ৰাজ্যৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰাৰ কাৰণে ভাৰত চৰকাৰে ২.৫০ কোটি টকা পুৰস্কাৰ দিছে।

(গ) পুৰস্কাৰ হিচাবে পোৱা টকা খৰচ কৰিবলৈ ভাৰত চৰকাৰৰ নিৰ্দ্দেশাৱলী আছে। অসম চৰকাৰে এই টকা পৰিয়াল পৰিকল্পনা আৰু স্বাস্থ্য উন্নয়নৰ কামত খৰচ কৰিব।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয় মই জানিব বিচাৰিছো যে এই টকা কোন ধৰণৰ কামত খৰচ কৰা হব ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) :— ভাৰত চৰকাৰে এই টকা খৰচ কৰাৰ যি নিয়ম দিছে সেই মতেই যন্ত্ৰ-পাতি আদি কিনাৰ কামত খৰচ কৰা হব আৰু চাব চেন্টাৰ বিলাকৰ ঘৰ আদি নিৰ্মাণৰ কামত খৰচ কৰা হব।

শ্ৰীজয়নাল আবেদিন ঃ— এই টকা ৩১ মাৰ্চৰ আগতে খৰচ কৰা হবনে পিচত খৰচ কৰা হব ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ— এই টকা ৩১ মাৰ্চৰ আগতে খৰচ কৰিব বিচৰা হৈছে যদিও ঘৰ আদি নিৰ্মাণৰ যি বিলাক কাম হৈছে তাৰ কাৰণে পিচতো খৰচ কৰিব লাগিব।

শ্ৰীমথুৰা ডেকা ঃ— এই টকা কোন কোন প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ বিলাকত খৰচ কৰা হব ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ—ঠাইৰ নাম বিলাক এতিয়াও থিক কৰা নাই যদিও বাইহাটা চাৰিআলিৰ নামটো ধৰা হব।

শ্ৰীমথুৰা ডেকা ঃ—অকল বাইহাটা চাৰিআলিয়েই নহয় তেনেকুৱা বহুত ঠাইত খৰচ কৰিবলগীয়া আছে।

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ— ঠাই বিলাক যেতিয়া লিষ্ট কৰিম তেতিয়া এইটো কৰা চাম।

শ্ৰীমথুৰা ডেকা ঃ— আমি বহুত যন্ত্ৰ পাতি কিনাৰ কথা জানো আৰু এই বিলাক ব্যৱহাৰ নোহোৱাকৈ পৰি থকাৰ কথাও জানো। এতিয়া যি বিলাক যন্ত্ৰ পাতি কিনে সেই বিলাকৰ যাতে ব্যৱহাৰ হয় সেই কথাটো চাবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ— কোনো ব্যৱহাৰ নোহোৱা যন্ত্ৰপাতি কিনা নহব। লেটেষ্ট্ৰেপ যিটো কিনা হৈছিল সেইটোৰ এতিয়া চাহিদা বহুত বেচি। তেনেকুৱা যন্ত্ৰপাতিহে কিনা হব।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী ঃ— যন্ত্ৰপাতি বিলাক প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰা হৈছেনে ?

ডাঃ ভূমিধৰ বৰ্মণ ঃ—হয়, প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰা হৈছে।

**বি ঃ মিডিয়াম ইৰিগেচন স্কিম।**

শ্ৰীজগত পাটগিৰিয়ে সুধিছে ঃ

* ৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কৃষ্ণাই নদী, দুধনৈ নদী আৰু দেওশীলা নদীত মিডিয়াম ইৰিগেছন স্কীম লোৱা সম্পৰ্কে চৰকাৰে আঁচনি কৰিছেনে ?

(খ) যদি কৰা নাই, এই নদী কেইখনৰ দুয়ো পাৰে থকা হাজাৰ হাজাৰ বিঘা খালি মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰি অধিক শস্য উৎপাদনৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯। (ক) কৰা নাই।

(খ) এই নদী কেইখনৰ পৰা সদ্যহতে কোনো মজলীয়া জলসিঞ্চন আঁচনি হাতত লোৱা হোৱা নাই। কিন্তু ইতিমধ্যে এই নদী কেইখনৰ পৰা এটা প্ৰবাহ আৰু চাৰিটা উত্তোলন মুঠ পাচটা ক্ষুদ্ৰ জলসিঞ্চন আঁচনি লোৱা হৈছে আৰু এইবোৰৰ যোগেদি অনুমানিক ২৮ হেজাৰ বিঘা (৩৭৪০ হেক্টৰ) খেতি মাটিত জলসিঞ্চন সামৰ্থৰ সৃষ্টি কৰা হৈছে।

শ্ৰীজগত পাটগিৰি ঃ— মই জানিব বিচাৰিছো যে কৃষ্ণাই, দুধনৈ আৰু দেওশীলা এই নদী কেইখনত জলসিঞ্চন আঁচনি নোহোৱাৰ কাৰণে ৰাইজৰ বহুত অসুবিধা হৈছে সেই কাৰণে এই নদী কেইখনত জলসিঞ্চনৰ ব্যৱস্থা চৰকাৰে কৰিবলৈ ৰাইজৰ পৰা আবেদন পাইছেনে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) ঃ—আবেদন ৰাইজৰ পৰা পোৱা হৈছে।

শ্ৰীজগত পাটগিৰি ঃ— যি ৫ টা আঁচনি লোৱাৰ কথা কৈছে সেই কেইটাৰ পৰা ৰাইজ ভাল ধৰণেৰে উপকৃত হোৱা নাই। সেই কাৰণে জলসিঞ্চন আঁচনি পুনৰ লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) ঃ— ভাৰত চৰকাৰে ১৯৮৫ চনৰ পৰাই মেডিয়াম আঁচনি লবলৈ বন্ধ কৰি দিছে।

বি ঃ হৰদত্ত বীৰদত্ত পথ।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ

* ১০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৰেশ্বৰ চক্ৰৰ অন্তৰ্গত হৰদত্ত বীৰদত্ত গড়কাপ্তানী পথৰ গুৰমৌৰ পৰা উত্তৰে বাছ চলাচলৰ বাবে ৰেলৰে লেভেল ক্ৰচিং খোলা আৰু পথছোৱা মেৰামতি কৰাৰ কথা আছে নেকি ?

(খ) যদি আছে, এই আৰ্থিক বছৰৰ ভিতৰতে উক্ত কাম সম্পূৰ্ণ কৰা হবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১০। (ক) হয়।

(খ) পথ আৰু দলংৰ মেৰামতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে আৰু এই আৰ্থিক বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ আশা আছে। লেভেল ক্ৰচিংৰ কাম ৰেল বিভাগে যোৱা ডিচেম্বৰ মাহত আৰম্ভ কৰিছে আৰু অহা এপ্ৰিল মাহৰ মাজ ভাগত শেষ হব বুলি লিখিত ভাবে জনাইছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— হৰদত্ত বীৰদত্ত ৰাস্তাটোৰ সম্পৰ্কত ইয়াৰ আগতেও এই সদনত আলোচনা কৰা হৈছিল আৰু মন্ত্ৰী মহোদয়াই আশ্বাসো দিছিল। তথাপি আজিলৈকে এই কাম সম্পূৰ্ণ নহল। এতিয়া কৈছে যে অহা এপ্ৰিল মাহৰ ভিতৰত লেভেল ক্ৰচিঙৰ কাম আৰু মেৰামতিৰ কাম সম্পূৰ্ণ হ'ব। মই জানিব বিচাৰিছো যে লেভেল ক্ৰচিংটো মানুহ থকা হবনে নথকা হব। লগতে দলং কোন কোন ঠাইত কেইখন লাগে জনাবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ঃ— ১৭ কিঃ মিঃ ২০ কিঃ মিঃ, ২১, ২৩ আৰু ২৪ কিঃ মিঃ ত দলং হব আৰু এটা কালভাৰ্টৰ কাৰণে এক লাখ টকা দিয়া হৈছে। ইতিমধ্যে এই কাম আৰম্ভ হৈছে আৰু সোনকালেই সম্পূৰ্ণ হব। লেভেল ক্ৰচিঙৰ কাৰণে ১৯৮১-৮২ চনতেই ৰেইলৱেক ১ লাখ ১৮ হাজাৰ টকা দিয়া হৈছে। আমি এই সম্পৰ্কত বহুত চিঠি পত্ৰ দিছো আৰু তাৰ উত্তৰ হিচাবে পাইছো যে ১৯৮৫ চনৰ এপ্ৰিল মাহত এই কাম সম্পূৰ্ণ হব।

বিঃ তামোল পান আদিৰ দোকান উচ্ছেদ।

শ্ৰীতাৰিণীয়ে সুধিছে ঃ

*১১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—
মাছখোৱা বেচৰকাৰী বাছ ৰোৱা আস্থানৰ আশে পাশে ক্ষুদ্ৰ ব্যৱসায়ীয়ে দিয়া তামোল পান, ফল-মূল আদিৰ দোকানবোৰ কিয় উচ্ছেদ কৰা হ'ল ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১। মাছখোৱা বেচৰকাৰী বাছ ৰোৱা আস্থানৰ আশে পাশে অসংখ্য ব্যৱসায়ীয়ে পান তামোল, ফল-মূল আদিৰ দোকান পাতি বাছ আস্থান বেদখল কৰি আছে। এই বেদখলকাৰী বোৰে পৌৰ নিগমৰ পৰা কোনো অনুমতি লোৱা নাই আৰু এওঁলোকৰ বেদখলকাৰী কাৰ্য্যত বাছবোৰ অহা যোৱাত ভীষণ অসুবিধাই দেখা দিছে। এওঁলোকৰ বেদখলী কাৰ্য্যই বাছ যাত্ৰীক বৰ অসুবিধাত পেলোৱা দেখা গৈছে। গতিকে এই বেদখলী বোৰক উচ্ছেদ কৰা হৈছে।

শ্ৰীতাৰিণী ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বেদখল উচ্ছেদ কৰা হৈছে। কিন্তু ৰাজদূত, জয়জোন আৰু এখন ডাঙৰ হোটেল, এই তিনি খন হোটেল কিয় উচ্ছেদ কৰা নহল ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) ঃ— এই তিনি খন হোটেলৰ কোনো তথ্য পাতি মোৰ হাতত নাই। কিন্তু ডাঙৰ সৰু সকলোকে একেধৰণে উচ্ছেদ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, সৰু বিলাকক উচ্ছেদ কৰা হৈছে। কিন্তু ডাঙৰ হোটেল বিলাকক কিয় উচ্ছেদ কৰা নহল ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, তেওঁলোকে চৰকাৰৰ পৰা পোৱা কাগজ-পত্ৰ দাখিল কৰিছে আৰু সেই বিলাক এনকুৱাৰি কৰাৰ পাচত সিদ্ধান্ত লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, সেই মাটি কোৰপোৰেচনৰ মাটি নে চৰকাৰী মাটি ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, বৰ্ত্তমান মোৰ হাতত প্ৰয়োজনীয় তথ্য পাতি নাই। সেইটো মই চাব লাগিব। অথৰিটিৰ পৰা পোৱা কাগজ পত্ৰ পোৱাৰ কাৰণে আমি তদন্ত কৰাৰ ব্যৱস্থা হাতত লৈছো। তাৰ পাচতহে উচ্ছেদ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, কম পইছা থকা বিলাকক চালি-জাৰি নোচোৱাকৈয়ে উচ্ছেদ কৰিছে নেকি ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, তেওঁলোকক আগতিয়াকৈ নোটিচ দিয়া হৈছিল।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, যিকেইখন হোটেল তাত আছে তেওঁলোকৰ বেচি পইচা থকা কাৰণে বেলেগ আইন আৰু কম পইচা থকা বিলাকৰ কাৰণে বেলেগ আইন নেকি ?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, তেওঁলোকৰ কাৰণে বেলেগ আইন হব নোৱাৰে, আইন সকলোৰে কাৰণে সমানেই প্ৰযোয্য হব।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, ৰাস্তাৰ কিনাৰত যিবিলাকে টেবুল লৈ দোকান দি বহি থাকে তেওঁলোকক উচ্ছেদ কৰাৰ কাৰণে বেলেগ আইন আছে নেকি?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) :—সেইটো এটা বেলেগ কথা।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনেকি যে, এই যে উচ্ছেদ কৰা নোটিচ বিলাক দিয়া হৈছিল, সেইবিলাক কেতিয়া আৰু কোন কোন তাৰিখে দিয়া হৈছিল?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই উচ্ছেদৰ নোটিচ বিলাক কোন তাৰিখে দিয়া হৈছিল তাৰ সঠিক খবৰ মোৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা মোৰ প্ৰশ্নৰ উত্তৰটো শুনিবলৈ নাপালো। মোৰ প্ৰশ্নটো হৈছে যে এই যে ৰাস্তাৰ কিনাৰত থকা সৰু সৰু দোকান বিলাকক উচ্ছেদৰ নোটিচ দিবলৈ তেওঁলোকৰ ঠিকনা কত পায়?

শ্ৰীসাধন ৰঞ্জন সৰকৰা (মন্ত্ৰী) :— এই বিলাক কোৰপোৰেচনে কৰে। লগে লগে ভাঙি দিয়ে আৰু তাৰ পাচত আকৌ আহি বহে। ক্ষুদ্ৰ ব্যৱসায়ী হিচাবে তেনেকৈয়ে চলি আছে।

শ্ৰীপূৰ্ণ বড়ো :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে যে, এই তিনি খন ডাঙৰ দোকানৰ মাটিৰ ম্যাদ শেষ হৈছিল। লিজ দিয়াৰ পাচত আকৌ বহাল কৰা হৈছে। কিছুমান দোকানৰ পৰা ৫০ টকাকৈ লৈ ব্যৱসায় অটুত ৰাখিছে?

শ্ৰীসাধন ৰঞ্জন সৰকাৰ (মন্ত্ৰী) :—সেই বিলাক খবৰ মোৰ হাতত নাই। তথ্য পাতি দিলে মই চাম।

Mr. Speaker :—This question has been elaborately discussed and the Hon'ble Minister has stated that he has no documents with him at present and he is ready to give the informations afterwards; so, we should not repeat the same question.

Now, Question No. 12.

**বি: এফ, দি, আৰ, শিতানৰ টকা।**

শ্ৰীচন্দ্ৰধৰ কলিতাই সুধিছে:

*১২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা বানপানীৰ ফলত প্ৰচুৰ ক্ষতি হোৱা নলবাৰী মহকুমাৰএফ, দি, আৰ, শিতানত মঞ্জুৰী হোৱা ৩৯ (উনচল্লিচ) লাখ টকাৰ ২১ (একৈছ) লাখ টকা কিয় কাটি নিয়া হল জনাবনে?

(খ) এই মহকুমাৰ বাবে মঞ্জুৰী হোৱা টকাৰ পৰা কাটি নিয়া টকাখিনি ২১ (একৈছ) লাখ কোন শিতানত বা কোন অঞ্চলৰ বাবে খটোৱা হল জনাবনে?

(গ) জলসিঞ্চনৰ প্ৰয়োজনীয় চাহিদা পূৰাবলৈ আৰু কিছু লাখ টকাৰ প্ৰয়োজন সাপেক্ষে চৰকাৰে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীজোহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১২। (ক) গোটেই অসমতে বিভাগৰ প্ৰাথমিক বানবিধ্বস্ত ক্ষতিগ্ৰস্তাতাৰ খতিয়ান আছিল ৯ কোটি টকাৰ, কিন্তু কেন্দ্ৰীয় কমিটিৰ চুপাৰিশ পোৱা হয় ৪.৫০ কোটি টকাৰহে। সেই হিচাপে বিভিন্ন সংমণ্ডলৰ প্ৰাথমিক খতিয়ানতকৈ অনুদান বণ্টন হ্ৰাস কৰিব লগা হয়, নলবাৰীতো ৩৯ লাখৰ পৰা ২১ লাখলৈ।

(খ) টকা কাটি বেলেগ ঠিতান বা অঞ্চলত খটোৱাৰ প্ৰশ্ন নুঠে।

(গ) অতিৰিক্ত বণ্টনৰ ব্যৱস্হা কৰাৰ প্ৰশ্ন এতিয়ালৈ উঠা নাই। কিয়নো কেন্দ্ৰীয় চুপাৰিছৰ ৪·৫০ কোটি টকাৰ এতিয়ালৈ জলসিঞ্চন বিভাগে ২.৩৬ কোটি টকাহে পাইছে। বাকী খিনি ৰাজহ বিভাগৰ পৰা এতিয়াও পাব লগা আছে।

শ্ৰীচন্দ্ৰধৰ কলিতা ঃ— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কোন কোন ঠাইৰ পৰা কিমান টকা কটা হব? মই এই কথাষাৰ এই কাৰণেই জানিব বিচাৰিছো যে নলবাৰী মহকুমাটোৱেই আটাইতকৈ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা এলেকা বুলি প্ৰতিপন্ন হৈছে। তেনে অৱস্হাত অকল নলবাৰীতেই ৩৯ লাখৰ পৰা ২১ লাখ টকা কটা হল। এতিয়া আন আন ঠাইৰ পৰা কিমান টকা কটা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, অকল নলবাৰী মহকুমাৰ পৰাই টকা কটা হোৱা নাছিল। আনহাতে পাঠশালা ডিভিজনটো আগতে ধৰা নোহোৱাৰ কাৰণে সেই টকাটো পিচত ধৰিব লগা হল। এতিয়া মোৰ হাতত ১নং জ'নৰ হিচাবটোহে আছে সেইটো মই আপোনালোকৰ আগত দাঙি ধৰিছো। আমাৰ বানবিধ্বস্ত ক্ষতিগ্ৰস্ততাৰ ক্ষতিয়ান আছিল ৯ কোটি টকাৰ কিন্তু কেন্দ্ৰীয় কমিটিৰ চুপাৰিশ মতে আমি ৪.৫০ কোটি টকাহে পাওঁ। সেই মতে আমি উক্ত সংমণ্ডলবোৰৰ টকা পিচলৈ কিছু বণ্টন হ্ৰাস কৰিব লগা হয়।

১ নম্বৰ জ'ন

| | ক্ষতিগ্ৰস্ততাৰ ক্ষতিয়ান<br>লাখ টকা | অনুদান পোৱা টকা<br>লাখ টকা |
|---|---|---|
| ধুবুৰী— | ১৮.০০ | ১৮.০০ |
| কোকৰাঝাৰ— | ১৮.৩৫ | ১৮.৩৫ |
| কোকৰাঝাৰ (মেকানিকেল)— | ৬.৯০ | ৬.৯৩ |
| বঙাইগাওঁ— | ১৭.০০ | ১৭.০০ |
| নলবাৰী— (১) | ৩৯.৬০ | ২১.০০ |
| গোৱালপাৰা— | ৭.৮৩ | ১৭.০০ |
| গোৱালপাৰা মেকানিকেল— | ৪.৬৫ | ৪.৬৫ |
| গোৱালপাৰা ইৰিগেচন ডিভিজন—(১) | ২৭.০৩ | ২১.০০ |
| বৰপেটা— ঐ — | ১২.১৭ | ১২.১৭ |
| গুৱাহাটী— ঐ — | ৯.২১ | ৭.৪১ |
| গুৱাহাটী ইনভেষ্টিগেচন— | ৮.২৭ | ৮.২৭ |
| পাঠশালা ডিভিজন—(১) | ১৮.৯০ | ১৮.৯০ |

শ্ৰীচন্দ্ৰ ধৰ কলিতা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক যিটো প্ৰশ্ন কৰিছিলো সেই প্ৰশ্নৰ উত্তৰত তেখেতে যিটো কলে সেইটোৰ মূল প্ৰশ্নৰ লগত মিল নাই। মোৰ কথা হল যে প্ৰথমতে পাঠশালাত টকা ধৰা হোৱা নাছিল কিন্তু পিচত তাত টকা দিয়া হল। কেন্দ্ৰীয় কমিটিৰ চূপাৰিশ মতে টকাযে কৰ্ত্তন কৰিব লগা হল সেইটো আমি বুজিলো। কিন্তু অন্য ঠাইৰ লগত তুলনা মূলক ভাবে নলবাৰীৰ টকাৰ অংশ কিয় ইমান বেছিকৈ কটা হল মই সেইটোহে মন্ত্ৰীৰ পৰা জানিব খুজিছো। নলবাৰীৰ পৰা যিমান টকা কাটিছে অন্য কোনো ঠাইৰ পৰা সিমান টকা কটা নাই। গতিকে ইয়াৰ কাৰণ কি জনাবনে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, নলবাৰীৰ পৰা আমি ইষ্টিমেট পাওঁতে বহুতো পলম হৈছে। এই ডিভিজনটোৰ পৰা যোৱা ২৪।২।৮৫ তাৰিখে পোৱা হৈছে। গতিকে ইমান কম সময়ৰ ভিতৰত এই গোটেইখিনি টকা তাত খৰচ কৰাটো সম্ভৱ নহব বুলি তাত টকা কমাই দিয়া হৈছে।

শ্ৰীচন্দ্ৰ ধৰ কলিতা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে নলবাৰীৰ পৰা এণ্টিমেট আহি পোৱাত পলম হোৱাৰ কাৰণেহে তাত টকা কমাই দিয়া হৈছে। কিন্তু এই এণ্টিমেট আহি পোৱাত কিয় পলম হল তাৰকাৰণে কোন দায়ী আৰু সেই দায়ী বিষয়াৰ ওপৰত কিবা বিভাগীয় ব্যৱস্থা লোৱাৰ কথা চিন্তা কৰা হৈছেনেকি ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই বাবে কোন দায়ী সেইটো এতিয়াই বিবেচনা কৰা টান হব। মুঠতে আমাৰ আঁচনিত ৪.৫০ কোটি টকা ধৰা হৈছিল তাৰ ভিতৰত এতিয়ালৈকে আমি ২.৩৬ কোটি টকাহে পাইছো। আনহাতে আমাৰ ৰাজহ বিভাগে যি অনুদান দিছে তাৰো ৩·৯৭ কোটি টকা আমি পাম বুলি ভাবিছো। আজি মাৰ্চ মাহৰ ১২ তাৰিখ, গতিকে আমাৰ হাতত থকা দিন কেইটাৰ ভিতৰত এই টকা পালেও আমি কিমান খৰচ কৰিব পাৰিম সেইটো চিন্তাৰ বিষয়। যোৱা বছৰো আমি ভাৰত চৰকাৰৰ পৰা ১ কোটি পাইছিলো। এই বছৰো এতিয়ালৈকে আমি ঠিককৈ কব পৰা হোৱা নাই যে গোটেইখিনি টকা পামনে নেপাম। গতিকে এই সময়ত আমি নতুনকৈ আঁচনি লোৱাৰ প্ৰশ্ন নুঠে। ইতিমধ্যে আমি বিভাগক শতকৰা ৫২ ভাগ কামহে কৰিবলৈ নিৰ্দ্দেশ দিছো। কিয়নো আমি ভবা মতে যদি টকা নেপাও তেনেহলে আমি সেইবোৰ ক'ৰ পৰা পূৰণ কৰিম ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰত্যেক চাবডিভিজনে কিমান টকা ধৰা হৈছে সেইটো উল্লেখ কৰিছে। গুৱাহাটী মহকুমাৰ শিঙিমাৰী সমবায় সংমণ্ডল আঁচনিত কিমান টকা ধৰা হৈছে জনাবনে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, আমাৰ যি চাৰিটা জ'ন আছে তাৰ ভিতৰত ১নং জ'নৰ হিচাবটোহে মোৰ হাতত আছে। মাননীয় সদস্যৰ প্ৰশ্নটোৰ উত্তৰ মই বেলেগে দিব লাগিব।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছে যে ৰাজহ বিভাগৰ পৰা টকা নোপোৱাৰ কাৰণে কামত পলম হৈছে। কিন্তু মোৰ কথা হৈছে যে আমাৰ দুয়োটা বিভাগ একেটা চৰকাৰৰে নহয় জানো আৰু সেই মতে এই কাম কৰাৰ দায়িত্ব এই চৰকাৰেই। গতিকে মই আমাৰ ৰাজহ মন্ত্ৰী মহোদয়কো এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব পাৰোনে যাতে সোনকালে এই টকাবোৰৰ অনুদান দি শেষ কৰিব পাৰি। আনহাতে এষ্টিমেটবোৰ পলমকৈ চাবমিট কৰাৰ বাবে যিবোৰ বিভাগীয় বিষয়া দোষী তেওঁলোকৰ ওপৰত কি ব্যৱস্থা লৈছে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :— এই আটাইবোৰ বিষয়ত ব্যৱস্থা লৈ থকা হৈছে।

Shri BINOY KUMAR BASUMATARY :—In reply, the Minister has stated that the estimates were submitted late. Is it not true that the flood occurred in September 1984? How is it that the department was sleeping till the month of February, 1985?

Shri ZEHIRUL ISLAM, (Minister) :—We will look into this.

Shri BINOY KUMAR BASUMATARY :—His reply is evasive. We want to know why this estimate was submitted late. This sort of inefficiency cannot be tolerated. We want only to know why this was late. What does it mean, "It will be looked into"? Disciplinary action should be taken: Sir, whether there was any instructions that these estimates should be submitted in time? Why, "it should be looked into"?

Mr. Speaker :—He will take necessary action. This applies for everything.

শ্ৰীবৰকতউল্লা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে ৰাজহ বিভাগে টকা নিদিয়াৰ কাৰণে এইবোৰ কাম কৰিব পৰা নগল। তেখেতে আমাক এটা কথা জনাবনে কিমান স্কীম আৰু কিমান টকা ৰাজহ বিভাগত চাবমিট কৰা হৈছে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :—সেইটো হিচাব বৰ্ত্তমান মোৰ হাতত নাই।

বি : কৃষ্ণাইৰ উত্তোলন জলসিঞ্চন আঁচনি।

শ্ৰীজগত পাটগিৰিয়ে সুধিছে :

*১৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কৃষ্ণাইৰ উত্তোলন জলসিঞ্চন আঁচনি কেতিয়া লোৱা হৈছিল?

(খ) উক্ত আঁচনিৰ দ্বাৰা কিমান বিঘা মাটিত পানী যোগানৰ ব্যৱস্থা কৰা হৈছিল?

(গ) সেই পৰিমাণৰ খেতিৰ মাটিত কেতিয়াৰ পৰা পানী যোগান দি থকা হৈছে?

(ঘ) যদি হোৱা নাই তাৰ কাৰণ কি?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৩। (ক) এই আচঁনিটো ১৯৬৬-৬৭ চনত আৰম্ভ কৰা হৈছিল আৰু ১৯৭০-৭১ চনত সমাপ্ত হৈছিল।

(খ) এই আঁচনিৰ দ্বাৰা বছৰি বিবিধ খেতিৰ বাবে পানী দিব পৰা মুঠ খেতি মাটিৰ পৰিমাণ আনুমানিক ৩৭৫০ বিঘা (৫০০ হেক্টৰ)।

(গ) এই আঁচনিত প্ৰস্তাৱ কৰা সম্পূৰ্ণ পৰিমাণৰ খেতি মাটিত এতিয়ালৈকে পানী যোগান ধৰিব পৰা হোৱা নাই কাৰণ বৰ্ত্তমান নিৰ্দেশিকা অনুযায়ী আৱশ্যকীয় নলা প্ৰথা এতিয়াও সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। বৰ্ত্তমান বছৰি মুঠ আনুমানিক ১৮৭৫ বিঘা মাটিত (২৫০ হেক্টৰ) পানী দি থকাৰ ব্যৱস্থা আছে।

(ঘ) ওপৰৰ উত্তৰত উল্লেখ কৰা হৈছে যে বছৰি প্ৰায় ১৮৭৫ বিঘা (২৫০ হেক্টৰ) খেতিৰ মাটিত পানী যোগান সামৰ্থ্য আহৰণ কৰা হৈছে আৰু সেইখিনি সুবিধাৰ সম্পূৰ্ণ সদব্যৱহাৰ কৰিলেও ন্যূনতম ৫০০ টন পৰিমাণৰ অধিক শস্য উৎপাদন হব পাৰে।

শ্ৰীজগত পাটগিৰি :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে কৃষ্ণাইৰ জলসিঞ্চন আঁচনি ১৯৬৬-৬৭ চনতে আৰম্ভ হৈ ১৯৭০-৭১ চনত শেষ কৰা হয়। এইটো সম্পূৰ্ণ হোৱাৰ পিচত বহুতো খেতিয়কে সুবিধা পাব বুলি ভবা হৈছিল কিন্তু যি ধৰণে ভবা হৈছিল সেই মতে কাম নহল। গতিকে মন্ত্ৰী মহোদয়ে জনাবনে ইয়াৰ পৰা খেতিয়কে পানী কেতিয়া পাব ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :— পানী এতিয়াও দি থকা হৈছে। মই নিজে যোৱা ৮।৩।৮৫ তাৰিখে তালৈ গৈছিলো আৰু দেখিছিলো তাৰ পৰা কিছু অঞ্চলত পানী যোগান ধৰি থকা হৈছে। কিন্তু সেই পানীৰ প্ৰকৃত ব্যৱহাৰহে হোৱা নাই।

শ্ৰীমহম্মদ আলি :— অধ্যক্ষ মহোদয়, কৃষ্ণাই জলসিঞ্চন আঁচনিৰ কাম কৰোতে যি নলাৰ ব্যৱস্থা কৰা হৈছিল সেই নলাবোৰ ওখ ঠাইলৈ নিয়াৰ কাৰণে সেই নলাৰ পৰা ওখ ঠাইত যোগান ধৰাটো সম্ভৱপৰ হোৱা নাই। আৰু সেই কাৰণেই বহুতো খেতিয়কে তেওঁলোকৰ মাটিৰে নলা নিয়াত আপত্তি দৰ্শোৱা দেখা গৈছে। গতিকে জলসিঞ্চন বিভাগে যেতিয়া এই নলাবোৰৰ কাম হাতত লয় তেতিয়া এইবোৰ কথালৈ লক্ষ্য কৰেণে নকৰে ?

শ্ৰীজোহিৰুল ইচলাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, প্ৰথম কথা হল— মাটি অধিগ্ৰহণত কিছুমান অসুবিধাৰ সৃষ্টি হোৱাত এই স্কীমটো সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰা হোৱা নাই। আনহাতে ওখ ঠাই দ ঠাইৰ যিটো কথা উঠিছে সেইটো টেক্‌নিকেল কথাহে। সেইটোৰ উত্তৰ মই এতিয়াই দিব নোৱাৰিম।

**বি: চিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষকৰ দৰমহা।**

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

* ১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সচা নে যে অসমৰ ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক সকলক যোৱা পাঁচ (৫) মাহে দৰমহা দিয়া হোৱা নাই ?

(খ) এই কথাও সচাঁনে যে অন্যান্য শিক্ষক-কৰ্ম্মচাৰীৰ দৰে মাদ্ৰাছা স্কুলৰ শিক্ষক সকলে বৰ্দ্ধিত মৰগীয়া বানচ আদি পোৱাৰ ব্যৱস্থা কৰা হোৱা নাই ?

(গ) যদি সচাঁ প্ৰতিকাৰৰ ব্যৱস্থা কৰা হৈছে নে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৪। (ক) হয়।

(খ) বাজেটৰ নিৰ্দ্দিষ্ট শিতানত টকা নথকাৰ ফলত দিব পৰা নাই।

(গ) হয়, পৰিপূৰক মঞ্জুৰী বিচাৰি প্ৰতিকাৰৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয়, চিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক সকলে যোৱা ৫ মাহে দৰমহা পোৱা নাই। এতিয়া দৰমহা নোপোৱাকৈ থকা ৭-৮ মাহ হল। এই শিক্ষক সকলক দৰমহা দিয়াৰ কাৰণে ১৯৮৪-৮৫ চনৰ বাজেটত শিক্ষাৰ শিতানত এই টকা ধৰা হৈছিলনে নাই? যদি ধৰা হোৱা নাছিল তেনেহলে পৰিপূৰক বাজেটত এই টকা কিয় ধৰা নহল? এতিয়া এনে ধৰণে দৰমহা পাবলৈ বাকী থকা মুঠ শিক্ষক কিমান আছে আৰু তাৰ বাবে কিমান টকা লাগিব সেইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, তেখেত সকলক যোৱা আগষ্ট মাহৰ পৰা দৰমহা দিব পৰা হোৱা নাই। তেওঁলোকৰ এই দৰমহা দিয়াৰ কাৰণে প্ৰায় ৬০ লাখ টকাৰ প্ৰয়োজন হব। কিন্তু তেওঁলোকৰ সংখ্যা কিমান সেইটো মোৰ হাতত বৰ্ত্তমান নাই।

শ্ৰীপূৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয়, এই চিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ নন-টিচিং মানুহখিনিক হাউচ ৰেন্ট, চিকিৎসা বানচ দি থকা হৈছে কিন্তু শিক্ষক সকলকহে দিয়া নাই। এই শিক্ষক সকলক হাইস্কুলৰ শিক্ষক সকলৰ দৰে প্ৰাদেশিকৰণ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাদ্ৰাছাৰ শিক্ষক সকলকো চৰকাৰৰ পৰাই দৰমহা দিয়া হয়। এতিয়া বাকী থকা দৰমহা আৰু অন্যান্য সকলে পোৱা মৰগীয়া বানচ আদিৰ সুবিধা তেওঁলোককো দিয়াৰ কাৰণে বিবেচনা কৰা হৈছে।

শ্ৰীবৰকতউল্লা ঃ— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে সেই শিক্ষক সকলৰ কাৰণে ১৯৮৪-৮৫ চনৰ বাজেটত টকা ধৰা হোৱা নাছিল নেকি?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ—বাজেটৰ টকা কম হোৱাৰ কাৰণেহে তেওঁলোকক দৰমহা দিব পৰা হোৱা নাই।

শ্ৰীপূৰ্ণ বড়ো ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাবনে এই অনুস্থানবোৰ প্ৰাদেশিকৰণ কৰা হবনে নহয়?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ— প্ৰাদেশিকৰণ সম্পৰ্কে আমি বিবেচনা কৰিম।

শ্ৰীবৰকতউল্লা ঃ— এই শিতানত যোৱা বাজেটত কিমান টকা ধৰা হৈছিল?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ—যোৱা বাজেটত ইয়াৰ বাবে ২৫ লাখ টকা ধৰা হৈছিল।

Shri ALTAF HOSSAIN MAZUMDAR :—Sir, it is not understood clearly whether it was a committed expenditure? It was not an unforseen expenditure and when it was a committed expenditure then why it was not included in the budget?

Shri MUKUT SHARMA (Minister) :—Sir, it is a committed expenditure and we are trying to rectify it.

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী ঃ— মাননীয় মন্ত্ৰী মহোদয় জানাবেন কি যে দেশ বিভাগের পূর্বে আসামের বাজেট মাদ্রাসা বিভাগের জন্য আলাদা একটা হেড্ অব একাউন্ট ছিল— যে ভাবে সংস্কৃত শিক্ষার জন্য ছিল। দেশ বিভাগের পর কেন সেটা উঠে গেল বুঝতে পারি না। এই ব্যাপারটাকে পুনঃ বিবেচনা করে একটা আলাদা হেড্ অব একাউন্ট মাদ্রাসা শিক্ষার জন্য বাজেটে ধরা হবে কি?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ— বিত্ত বিভাগের সঙ্গে এই ব্যাপারে আমরা আলোচনা করে দেখবো।

Shri ALTAF HOSSAIN MAZUMDAR :—Sir, may I know from the Hon'ble Minister, Education whether it was not a committed expenditure on the part of the Government ? If it is so, then why it was not included in the budget ? If it was not included due to the negligence of any officer, then why the Government is not making him responsible for such negligence ? Sir, may I know from the Hon'ble Minister whether Government will take appropriate action against the officer for whose negligence such things has happened and would also request the Hon'ble Minister to ensure that such thing should not take place in future ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, অৱশ্যে মই কোনো বিষয়াৰ হেমাহিৰ কাৰণে এনে হৈছে বুলি কব খোজা নাই। তথাপিতো যি অসুবিধা হৈছে সেইটো পূৰণ কৰিবৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

Mr. Speaker : Now item No. 2.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 12-30 P. M. on 11th March, 1985 in my Chamber at Dispur.

The Committee discussed about the allotment of time for debate on Governor's Address. The debate on Governor's Address will continue upto 13th March, 1985. Out of the total time available 2½ hours will be allotted to the Opposition members including the time already taken. The rest of the time will be allotted to the Ruling party which will include replies of the Hon'ble Chief Minister and other Hon'ble Ministers.

The Committee further decided to take up discussion on the Supplementary Appropriation, if any, and voting on the Supplementary Demands for grants for the year 1984-85 including the passing of the appropriation (No. 1) Bill, 1985 on 16th March, 1985 instead of 18th March, 1985 as fixed earlier. On 18th March, 1985 the Business fixed earlier for 16th March, 1985 will be taken up.

A copy of the revised Calendar has already been circulated amongst the Hon'ble Members.

I hope this has the approval of the House.

(Voices : yes, yes,).

Now, item No. 3. Mr. Mahammed Ali to call the attention of the Minister, Jails under Rule 54.

শ্ৰীমহম্মদ আলী ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৫ চনৰ ৩০ জানুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "কাৰাবন্দীয়ে জাৰত উজাগৰে কটোৱলগীয়া অৱস্থাৰ ৰহস্য" শীৰ্ষক বাৰ্তাৰটোৰ প্ৰতি কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো।

শ্ৰীআব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩০।১।৮৫ তাৰিখে 'দৈনিক অসম' বাৰ্তাৰ ককাতত প্ৰকাশিত 'কাৰাবন্দীয়ে জাৰত উজাগৰে কটাবলগীয়া অৱস্থাৰ ৰহস্য' শীৰ্ষক বাৰ্তাৰটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। সেই সন্দৰ্ভত চৰকাৰৰ স্পষ্টীকৰণ হৈছে—

প্ৰতি কাৰাগাৰতে কাৰাবন্দী বৃদ্ধিলৈ লক্ষ্য কৰি প্ৰয়োজন অনুসৰি কম্বলৰ জৰুৰী মজুত ৰখা হয়। ১৯৮৪ চনৰ মে' মাহত ২০০০ (দুই হেজাৰ) কম্বলৰ প্ৰয়োজন হব বুলি অনুমান কৰি তেজপুৰৰ কাৰাগাৰত ১৬০০ (এহেজাৰ ছয়শ) কম্বল মজুত ৰখা হৈছিল। ১৯৮৪-৮৫ আৰু ১৯৮৫-৮৬ চনত সাধাৰণ ভাবে বা জৰুৰী ভাবে কাৰাবন্দীৰ সংখ্যা বাঢ়িলে এই ২০০০ (দুই হেজাৰ) কম্বলৰ পৰাই সেই বছৰ যোগান ধৰা সময়লৈকে প্ৰয়োজন পূৰণ কৰিব পৰা যাব। কিন্তু দেখা গ'ল কাৰাবন্দীৰ সংখ্যা বাঢ়িব বুলি অনুমান কৰা স্বত্বেও প্ৰকৃততে কমিলহে। (৩১।৫।৮৪ ৰ ৪০৭২ জন কাৰাবন্দীৰ ঠাইত ৩১।১২।৮৪ ৰ ৩৬৮১ লৈ কমি গ'ল)। গতিকে, যদিও নতুনকৈ যোগান ধৰা ২০০০ (দুই হেজাৰ) নিম্নখাপৰ কম্বল ব্যৱহাৰ কৰা হোৱা নাই তথাপিও কোনো কাৰাগাৰৰ কাৰাবন্দীয়ে কম্বলৰ অভাৱত কষ্টভোগ কৰিব লগীয়া হোৱা নাই। বাৰ্তাৰ কাকতত অভিযোগ কৰাৰ দৰে ১৯৮৪-৮৫ চনত কাৰাবন্দীয়ে কম্বলৰ অভাৱত উজাগৰে কটোৱা কথাষাৰ সত্য নহয়।

নিম্নমানৰ কম্বলৰ সন্দৰ্ভত অনুমোদিত প্ৰতিষ্ঠানৰ কৈফিয়ৎ তলব কৰা হৈছিল আৰু প্ৰতিষ্ঠানে উৎপাদনকাৰীৰ ভুলৰ বাবে এনে অনুপযোগী কম্বল সৰবৰাহ কৰা বুলি স্বীকাৰ কৰিছে। তেতিয়া সৰবৰাহকাৰী প্ৰতিষ্ঠানক এন, আই, টি, ৰ ৮ নম্বৰ ধাৰা অনুসৰি এই নিম্নমান কম্বলবোৰৰ সলনি নিৰ্দ্ধাৰিত মানৰ কম্বল সৰবৰাহ কৰিবলৈ আদেশ দিয়া হৈছিল। যি সকল বিষয়াই এনে নিম্নমানৰ কম্বল গ্ৰহণ কৰিছিল তেওঁলোকৰ পৰা কৈফিয়ৎ তলব কৰা হৈছিল। তেওঁলোকৰ কৈফিয়ৎবোৰ বিচাৰ কৰি তেওঁলোকৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থাৰ কথা বিবেচনাধীন হৈ আছে। কম্বলবোৰৰ মূল্য এতিয়াও পৰিশোধ কৰা নাই। সৰবৰাহকাৰী প্ৰতিষ্ঠানে আগৰবোৰৰ সলনি নতুন কম্বল যোগান ধৰিবলৈ স্বীকাৰ কৰিছিল আৰু সেইমতে তেওঁলোকে কম্বল দিবলৈ ধৰিছিল। তেজপুৰৰ কাৰাগাৰ অধীক্ষকে জনাইছে যে, জাৰকালি অতিবাহিত হোৱাৰ বাবে এতিয়া আৰু সেই কম্বল বিলাকৰ প্ৰয়োজন নোহোৱা হৈছে। গতিকে কম্বল সৰবৰাহ কৰাৰ নিৰ্দ্দেশ প্ৰত্যাহাৰ কৰাৰ কথা ভবা হৈছে।

উল্লেখিত বাৰ্তাৰটো অনুসৰি ৪৯০ জন কাৰাবন্দীক গৰম চোলা যোগান ধৰা নাই বোলা কথাষাৰ সত্য নহয়। তেজপুৰৰ কাৰাগাৰকলৈ বিভিন্ন কাৰাগাৰৰ কম্বলৰ চাহিদা ৪৯০ খন তাৰে ২৪০ খন তেজপুৰৰ কাৰাগাৰত মজুত আছে আৰু ৩৫০ মিটাৰ কম্বল কাপোৰৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে। উল্লেখ যোগ্য যে, কোনো কাৰাগাৰত যিকোনো বস্তুৰ চাহিদা সদায় ছকে নহয় কাৰণ কাৰাবন্দীৰ সংখ্যা বিভিন্ন কাৰণত কম বা বেছি হব পাৰে। সেই বাবে কাৰাবন্দীৰ গড় হিচাপে এটা অনুমানিক পৰিমাণ ধৰা হয়। কোনো কাৰাবন্দীয়ে গৰম কাপোৰৰ অভাৱত কষ্ট খাব লগা অভিযোগ আমাৰ ওচৰত নাই। সৰবৰাহকাৰীয়ে এতিয়ালৈকে বস্তু সৰবৰাহ কৰিব পৰা নাই বাবে সৰবৰাহৰ নিৰ্দ্দেশ বাতিল কৰা হৈছে।

কাৰাগাৰৰ বাগিচাৰ উৎপাদনৰ হিচাপ ৰখা হয় যদিও বিভিন্ন উৎপাদিত বস্তুৰ হিচাপ বেলেগে ৰখা নহয়। যানহওঁক, কাৰাগাৰ বিষয়া সকলক এই হিচাপ বেলেগে ৰাখিবলৈ উপদেশ দিয়া হৈছে। বাঁহ বেত শাখাত মজুত পঞ্জীয়ন নোহোৱাৰ সন্দৰ্ভত এটা তদন্ত কৰা হৈছিল। পিচত এইটো দেখা গ'ল যে, উৎপাদিত সামগ্ৰী বিভাগৰ দায়িত্বত থকা সহকাৰী কাৰাধ্যক্ষ গৰাকীয়ে সামগ্ৰীবোৰ ভড়ালত মজুত ৰাখিছে কিন্তু ভুলক্ৰমে পঞ্জীয়ন বহীত লিপিবদ্ধ কৰা নহল কাৰণ তেওঁ হঠাৎ আকস্মিক ছুটীত যাব লগা হল। পিচত তেওঁ নিয়মানুসাৰে পঞ্জীয়ন বহীত সামগ্ৰীবোৰ অন্তৰ্ভূক্ত কৰে।

শ্রীহেমেন দাস :— মাননীয় অধ্যক্ষ মহোদয়, এটা স্পষ্টীকৰণ আছে। মন্ত্ৰী মহোদয়ে এঠাইত কৈছে যে কম্বল যোগান ধৰিব খুজিছিল। কিন্তু চুপাৰিটেনডেন্টে হেনো কৈছে যে এতিয়া জাৰ গল কম্বলৰ প্ৰয়োজন নাথাকে। মন্ত্ৰী মহোদয়ে যেনেকৈ কৈছে তেনেকৈ নহয়। জেইলৰ অধ্যক্ষই প্ৰকৃততে কি কৈছে? আৰু বেছি পোৱা কম্বল নাথাকে কাৰণে ইতিমধ্যে কম্বল যোগান ধৰিছিল। ১৮ শ কম্বলৰ যোগান ধৰা বুলি কে, চি, খেমকা কোম্পানীয়ে কৈছিল। কিন্তু ১৩ শ কম্বলহে যোগান ধৰা হৈছিল। এই কম কম্বল শোনিতপুৰ জিলাৰ উপায়ুক্তই গ্ৰহণ কৰা নাছিল। বাকী কম্বল যোগান ধৰিব লাগিছিল। সম্পূৰ্ণ যোগান ধৰিবলৈ দিছিল। অধ্যক্ষই কৈছে আৰু কম্বল নেলাগে। আন এটা কথা হৈছে যি সময়ত সেই ১৩ শ কম্বল নিছিল কিনিছিল সেই বিষয়াজনে (ইন্ডাষ্ট্ৰি অফিচাৰ) ১৩ শৰ ঠাইত ১৮ শ বুলি চেঙচন দিছে। সেই মানুহজনৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

Shri ABDUL MUHIB MAZUMDAR, (Minister, Jails) :—Sir, two questions are involved here. One is regarding quality of the blankets supplied. As I have stated, when the blankets were supplied it was found that the blankets were below quality. That is why when this came to the notice, the supplier was asked to replace them. The supplier also admitted that it was done by mistake. The second question is action to be taken against the officer who received the supply. The matter is under enquiry and action will be taken against him. About the Industries Officer, if he received the supply and certified as to its quality, action will be taken against him. The matter is under enquiry.

Shri HEMEN DAS :—I want another clarification. The district authority asked the I. G. of Prisons to take back the sub-standard blankets, but even to-day, so far as my knowledge goes, the I. G. of Prisons has done nothing in this regard. Again M/s K. C. Khemka has not gone to replace these blankets. What action will be taken ?

Shri ABDUL MUHIB MAZUMDAR (Minister) .—Mr. Speaker Sir, I have answered already. The blankets were no longer required. We were not accepting the blankets as they were found to be below standard and the suppliers have not got the money for the supply of these blankets. We have asked them, they are either to replace the blankets by standard blankets or they are to get the stock back. No payment has to be made.

Shri HEMEN DAS :—Sir, regarding the criminal silence on the part of the I. G. Prisons, what action will be taken, we want to know.

Shri ABDUL MUHIB MAZUMDAR (Minister) :—Sir, if there is any criminal silence on the part of anyone, he will be dealt with criminally. There is no question of condoning the lapses on the part of any officer. Yes, necessary action will be taken and the whole matter is under enquiry now.

Mr. SPEAKER.— Now we take up the next item, No.4. Hon. Member Shri Binoy Basumatary to resume.

Shri BINOY KUMAR BASUMATARY.— Mr. Speaker Sir, I was dealing with the foreigner's issue and infiltrations. What has been stated in the Governor's Address on this issue is reassuring. Now the Govt. has to prove that a person who came to Assam is really a foreigner. As per the Illegal Migrants (Determination by Tribunals) Act, 1983, it is incumbent on the person to prove that he is not a foreigner, but the situation has developed now in a way where Govt. has to prove that so and so or Mr. A or B or C is a foreigner. What is going on at the moment ? The police officers are visiting the houses of the tribal people in the name of excluding the names of foreigners from voter's list. It is a matter of suspicion and misgivings which again proves that on earlier occasions names of plains tribals were not included in the voter's lists. That was our contention and this is now proved. Because these officers are now busy in visiting the houses of tribal families if these tribal people may be excluded as foreigners. As per rules, M·L·As. who are also included in the Subdivisional Committees constituted for this purpose but are not consulted. This committee in the Darrang district has not been convened yet. It was convened once but it was cancelled. So last year the Governor assured that our population would be protected, but what is really happening is that our population is not required here. Sir last year on the same subject, the Governor's Address mentioned about stopping the influx of foreigners across the border by taking several steps which included erection of barbed wire fencing all along the border etc. etc. This year however we do not see anything about barbed wire fencing along the border. We want to know whether the proposal of border fencing has been abandoned or will be taken in hand soon. Another thing is that the Election Commission has given instruction to the Government of Assam to the effect that those people who are residing in forest areas, their names should not be included in the voter's list. This again is primarily directed against the tribal people. Tribals are the poorest of the poor people and now the Election Commission has come up with another shock to the tribals that their names would not be included for living in the forest areas. This denial of our basic right to vote is a very serious matter and we are very unhappy about it.

Sir, in regard to the "Relation with neighbouring States and Union Territories" as mentioned in the Governor's Address, I have brought to the notice of the highest authority of the country the matter of entry of Bhutan Police into the Indian territory during the first fortnight of January 1985 and taking of four persons including two tribals of our side, to their State. This year in February last another person was taken away from his home in the area. There is free intrusions by Bhutan police into our territory. Sir, we want to know whether this part belongs to Bhutan and if not, the Government should stop this nuisance forthwith. Then Sir, there has been a wasteful expenditure incurred on the demarcation work on Assam Nagaland border. It is learnt that a Commission was established to go into the whole gamut of Assam Nagaland border disputes, by the Central Government, but one does not khow what has happend ultimately. If their recommendation is accepted by the Assam Government, and not accepted by the Nagaland Government, where is the solution to the problem ? What steps are going to be taken by the Government of Assam as to the Nagaland Govhrnment's rejection, should be indicated and this August House should be taken into confidence in the matter.

Now the administrative reorganisation. It is very good that we are having new Subdivisions because the purpose is to bring the administration closer to the people. And it is a laudable step. These new Subdivisions were created on 15th of August 1983 and to-day it is 12th March 1985. Yet not a single post has been sanctioned for the new Subdivisions. How the Government is going to make the administration closer to the people if it cannot be timely manned ? If the Government does not sanction the post, how the administration can be run ? What is the position ? It has been given to understand that Government in the Finance Department is sitting over the whole thing. We have also gathered that now corruption has entered into Finance Department also. We have been told, if financial sanction is required to be given by Finance Department the Departmental Officers demand a certain share of it for according sanction. This sort of thing, we do not know whether they are facts or they are imaginations, but these are there nevertheless.

Then Sir, at the same time under the same head mention has been made about the Bodo Language. We have congratulated the Government for this. We are congratulating the Government again. But we want to warn the Government for the Bill as is now sought to be introduced or already introduced in the House is not liked by the Bodo people. If justice is to be made to the Bodo people, what the Bodo people want should be provided for in the Bill.

I do not want to deal with the economic situation, but about this welfare activity, we are surprised to learn that the Chief Administrator of Udalguri has got some funds and he is spending them independently and it does not require the sanction by the Mahkuma Parishad or Gaon Panchayats. This sort of thing is happening there. Is this the practice only in Udalguri Sub-division or it is in all the Sub-divisions ?

Now Sir, about the 20-Pt. Programme, I am very sorry to say that no fund under NREP, RLEGP is coming into our Block, Special programme was launched on 18th November last. However, there was instruction issued by the Government that all officers work should be diverted to the enumeration of the voters and preparation of voters lists. How can this Government claim that these welfare activities are going on in Block areas ? No Sir, it is not and in my Block many surprising things are happening. Sir, our B.D.O. at Udalguri was suspended. We do not know why. But I am told it is the Secretary. We have enough evidences that this Secretary of DRDA chase every women who work under him. We have public complaints that he stays in some lady officers house some times. I do not know Sir, how this sort of scandalous behaviours of a senior officer could be tolerated by the Government.

Then Sir, about ICDS projects I want to say a few words. About 1½ crores of rupees have been kept unused till the month of December. The Governor's address says something but in reality it is not so. About the welfare of weaker sections we were told in this House that for the location of TSP Rs. 46 crores are earmarked and the Hon'ble Minister has asked us to give names of schools for giving building grants etc. We have given our lists but we have been told that the files and papers connected with it is missing. But later on, of course, it was found out.

Then at page 10, I do not know whether it is through oversight or a major mistake has taken place in respect of the name of a place called Bhakat gaon. On 3rd February, 1984 our late lamented Prime Minister Mrs. Gandhi inaugurated the first sos village at Bhakatgaon. It is Bhakatpara and not Bhakatgaon. There are certain problems there, I do not know whether these have been sorted out. A mention has been made about the Tribal Development Authority and there is an inherent provision that the Tribal Development Authority should sit once in every 3 months by which we were expected to see magic but unfortunately there was no result.

I want to deal witn the Co-operative Department, Sir, briefly. Sir, in Mangaldoi an amount of Rs. 16 lakhs were allocated to TSP and this money was not released as it was arbitrarily decided in the Secrctariat and Registrar's level. Now, the Co-operative Officers have given in writing to the D. C., Darrang that this money does not belong to the Tribal Sub-Plan. We have been unhappy with the performance of the Government on this. I have heard whisperings that my friends are unhappy with me as I am touching on every point. But I am sorry to say that I must do it as it concerns the people of the State.

I would like to refer to page 16. A reference has been made in respect of tourism in the State. Sir, I have some friends in some Western countries who like to visit Assam. They have deposited in advance their lodging expenses etc. in Kaziranga Forest Lodge with Indian Consulate in European and American countries. But unfortunately they were not allowed to come to Assam and have been sent back from Delhi or Calcutta. If such things continue, it will earn a bad name and bring a slur on Government of India. I request the Minister for Tourism to kindly look in to it, so that these are refunded.

I want to deal with Education Department also. The most shocking thing is that in the month of December the Education Department was short of Rs. 139 lakhs, and the money was diverted from TSP Department. The money granted to the Education Department was spent already and they have come with a request for diversion of Rs. 139 lakhs from the TSP. This matter was put up in the last Advisory Council meeting. It is very bad because it is an injustice to the tribal people.

Now, regarding provincialisation of Schools, I want to say a few words. Assamese medium schools were already provincialised while other medium schools like Bodo-medium were left. This is a partiality and has created a lot of bad blood. We are only thinking about Computer Education and only a mention has been made. But this does not mean that this has come into existence. Even a backward State like Arunachal Pradesh has already started Computer Education.

At Gauhati University one of our Tribal students was very badly treated at midnight on 9th February 1985. He was residing in Room No. 32. At midnight he was summoned to Room No. 37 which was occupied by Prefects Shri Barua and Shri Gohain. He was asked by them to get out of the room at midnight. He refused to do so and after treating mercilessly his things and beddings were destroyed and thrown out. This is the treatment we are getting at the hands of our Assamese brothers. The Government have not been able to tackle this problem yet. There was a complaint from a teacher that he has been badly treated by the S. I. for not giving him a share of Rs. 1000. I have already requested the Government for removal of the S. I. from my area. The Managing Committee also complained that the S. I. wants Rs. 1000 for giving a formal letter provincialising the school. These are the things going on in the Education Department and, Sir, today we are very sorry to read in the Sentinel that in Silchar four thousand rupees was given as bribe for appointment as teacher. Sir, it goes on like this, "What happened the other day in the Circuit House here was both shocking and shameful when a young girl, an aspirant for the post of school teacher, accosted a minister's nominee with her footwear in her hand and demanded Rs. 4000 back which she had reportedly paid to him. Witnesses to this melodrama included among others, Mr. Nihar Ranjan Laskar, Ex-Union Minister, and Mr. Jagadish Chowdhury, PHE Minister, who appeased the girl by paying Rs. 2000 each from their pockets just to save the situation". Sir, when the Ministers have taken out Rs. 2000 from their pockets it implies that these Rs. 4000 have gone to their pockets. Therefore, Sir, this Minister is to resign or prove that he is not guilty. Sir, it is unfortunate

that at this juncture when there is a charge against the legislators that they are corrupt, these high officials are substantiating the rumours and maligning the legislators. Whereas the Prime Minister of India has said that he is against corruption, in our State the Ministers, the people from his own party are doing these things. Therefore, Sir, I am very sorry to bring this to the notice of the House. Then about Health and Family Welfare, Sir, in Udalguri the boys have driven out one Doctor because one day from one village a baby was brought and the Doctor said-without any benefit this baby will not be admitted. So the villagers gave Rs. 20 to the Doctor but even then the baby was not given any treatment and boy died in the evening. The infuriated vllagers surrounded the Doctor's house and in the Doctor's house the Chief Administrator was also there; they all ran away and the Doctor has ran away the same night and till today he has not gone back to Udalguri. Then Sir, about land. On 31st January this year in the district of Lakhimpur in a village called Dolongmukh Patharipar flood affected people of last year took shelter in the forest. But these people were driven out from the forest. Sir, here is a photograph of their backs, their backs are black because they were whipped. The skin of their backs are peeled off Sir, are we living in feudal times or in the 20th century? Then Sir, on 28th September, 1981 the D. C., Darrang had recommended acquiring some land from Manabag Tea Estate but the subsequent D. C. on 2nd November cancelled the previous D.C. 's order and land was not allotted to the tribals. I wrote to the D. C. to bring it to his notice and here is a letter from the D.C.

"Dear Shri Basumatari,

I have received your letter, dated 2nd January 1985, and advise the bearer to submit formal application with necessary stamp paper for furnishing the certified copy as per prescribed procedure.

With best wishes for a happy New Year." Sir, this is a nice letter from the D.C., Darrang. So, we sent the people to the D. C. with proper application but the clerk has rejected the D. C. 's order. Is this a country where we are to live under the clerks? Then Sir, there are more in the statement regarding land. 'Land Reform is going on and Chapter X will be implemented'. Sir, I want to ask the Government whether during the last two

years this Government was successful in driving out a single person from the tribal belt. Sir, I have with me the original chitha copy which show that ineligible people have been given land in the tribal belt in 1976. And here is a judgment of the P.R.A. which says these people are eligible. Sir, we know this P.R.A. has taken Rs. 30,000 to pass this judgment. Sir, where do we live if for tribals even justice and law is not for us? What we are to do? That is why in this part of the country we have violence; armed insurrection by the Nagas and Mizos. And these officials are pushing us and they are not allowing us to live in peace. Therefore, Sir, our boys and our people are determined to liberate our area from the hands of this Government and these officials. Thank you Sir.

শ্রীহৰেন্দ্র নাথ তালুকদাৰ ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দেবানন্দ কোঁৱৰ ডাঙৰীয়াই উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱটো মই মোৰ সমৰ্থন আগবঢ়াইছো। আৰু তাৰ লগতে কেইটামান কথা নিবেদন কৰিবলৈ আগবাঢ়িছো। মই মোৰ নিজৰ বিবেচনাৰে কৈছো যে প্ৰাক্তন প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ মৃত্যুৰ পাচত ৰাজ্যপালৰ এইটো প্ৰথম ভাষণ। মোৰ বিবেচনা মতে পৃথিবীত এইটো এটা বিখ্যাত ঘটনা য'ত নেকি প্ৰধান মন্ত্ৰীক চেকুৰিটি গাৰ্ডে হত্যা কৰিছে, সেই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হলে ভাল আছিল। কিয়নো আমাৰ পাচৰ যিবোৰ লৰা-ছোৱালী আহিব সেই সকলে এই ভাষণৰ পৰা জানিব পাৰিলেহেতেন। প্ৰধানমন্ত্ৰীক কেনেকৈ হত্যা কৰা হৈছিল। আৰু এটা কথা হৈছে ৰাজ্যপালৰ ভাষণত সাধাৰণতে চৰকাৰে কি নীতি গ্ৰহণ কৰিব, কি আদৰ্শলৈ আগবাঢ়িব এই কথাৰ ওপৰত ভিত্তি কৰি বিশেষ কথাবোৰ ডাঙি ধৰে। আমাৰ দেশখন কল্যাণকামী দেশ, জনসাধাৰণৰ মঙ্গলকামী দেশ। সেই কাৰণে জনসাধাৰণৰ কল্যাণৰ হকে কেনে ধৰণৰ নীতি গ্ৰহণ কৰা যায় আৰু তাৰ দ্বাৰা জনগণৰ কেনেকৈ মঙ্গল সাধন কৰিব পাৰি সেই বিষয়ে স্পষ্ট ইঙ্গিত থকা উচিত। আৰু জনসাধাৰণৰ কল্যাণৰ কাৰণে যিবিলাক নীতি লোৱা হব সেই বিষয়ে উল্লেখ থকা উচিত। কিন্তু দুই এটা কথা মই বুলিয়েই নহয় বাতৰি কাকতটো উল্লেখ হৈছে বন বিভাগৰ কথা। এতিয়া কিমান পৰিমাণৰ কাঠৰ বন্দোবস্তি দিয়া হৈছে অৰ্থাৎ পাৰ্মিট দিয়া হৈছে সিমান পৰিমাণৰ গছ আমাৰ ইয়াত পাবলৈ নাই। বোধহয় সেই কাৰণেই ৰাজ্যপালেও অনুভৱ কৰিছে ইয়াৰ কি ব্যৱস্থা লব লাগে। সেয়েহে ৰাজ্যপালৰ ভাষণত কোৱা হৈছে— ৰাজ্যখনৰ অৰ্থনীতিত বন আৰু বনজ উৎপাদনে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে আৰু ৰাজ্যখনৰ বনাঞ্চল সংৰক্ষণ আৰু সম্প্ৰসাৰণত গভীৰ মনোনিবেশ কৰি আহিছে। আৰু এটা বাক্যত কোৱা হৈছে,— বনজ সম্পদ সমূহ চিকাৰী, বেদখলকাৰী, আৰু চোৰাং ব্যৱসায়ীৰ পৰা ৰক্ষা কৰাৰ ব্যৱস্থা ব্যাপক কৰি তোলা হৈছে। এই কথাখিনি উল্লেখ কৰিবলৈ যাওঁতে দেখা যায় ইয়াত দুনীতিৰ কথা উল্লেখ হৈছে। সেই কাৰণে জনসাধাৰণৰ মনত আসোৱাহ হৈছে যে এনে ধৰণে পাৰ্মিট ইত্যাদি দি চৰকাৰে জনসাধাৰণৰ কি মঙ্গল সাধন কৰিব বিচাৰিছে? আৰু ইয়াৰ পৰা ৰাইজৰ আৰু চৰকাৰৰ কি লাভ হৈছে? এই কথাটো সদনত আমি জানিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আজি চাওক— হিচাব মতে ইজুৰেল ৰয়েলিটি কিমান? ইজুৰেল ৰয়েলিটি পাৰ চি, এফ, টি ছয় টকা— যদি চাৰি ফুটৰ ওপৰৰ গছ হয় আৰু চাৰি ফুটৰ তলৰ হলে ৩ টকা। চৰকাৰে এই পাৰ্মিট কেনেকৈ দিছে? হান্‌ড্ৰেড পাৰচেন্ট বা শতকৰা এশ ভাগ মনোপলি হলে ১২ টকা হয়, ৩ টকা হলে ৬ টকা হয়। শতকৰা দুশ ভাগ হলে ১৮ টকা হব আৰু ৩ টকাৰ ঠাইত ৯ টকা হব। যিবিলাক পাৰ্মিট দিছে এই ৰেটতেই দিছে। গতিকে এই বিষয়টোত আমি অন্ধকাৰ হৈ আছো। সেই কাৰণে সদনত এই বিষয়ে জনাব লাগে। কিছুমান জঙ্ঘলত অপাৰেচন কৰিছে আৰু

সেই অপাৰেচন কষ্ট গড়ে ৯ টকা চি, এফ, টি, হিচাবে ধৰিছে। ৩ টকা ইজৰুৱেল ৰয়েলিটিৰ কথা মই বাদ দিছো। চি, এফ, টি, ৬ টকা হলে শতকৰা দহশ ভাগত ১৮ টকা হব আৰু অপাৰেচন কষ্ট লৈ ২৭ টকা হব। শতকৰা দহশ ভাগ মনোপলি হলে ১৮ টকা হয়। শতকৰা এশ ভাগ হলে ১২ টকা হয়। এই তিনিটা দামৰ কথা মই অনুমানিক হিচাব কৰিছো গড়ে ২০ টকা। কিন্তু বজাৰত কিমান দাম? এশ টকাৰ পৰা এশবিশ টকালৈ বজাৰত কাঠৰ দাম বঢ়াই দিছে। শাল আৰু সলক আৰু চেগুণ ইত্যাদি কাঠ সেই কাৰণেই ব্যক্তিগত ব্যৱসায়ীৰ হাতলৈ গ'ল, ফলত কাঠৰ দামটো ৰাখিব পৰা নাই। এতিয়া সমস্যা আহিব পি, ডব্লিউ, ডি, জলসিঞ্চন, পাব্লিক ইঞ্জিনিয়াৰিং বিভাগে আৰু এন, আৰ, পি ৰ স্কুল ঘৰ নিৰ্ম্মাণৰ ক্ষেত্ৰত কাঠৰ দামৰ যি ইষ্টিমেট সেইটো বহুত গুণে বাঢ়ি যাব। ফলত কাঠৰ দাম বাঢ়ি যোৱাৰ কাৰণে এষ্টিমেটৰ ভিতৰত কাম বিলাক কৰিব নোৱাৰিব। আৰু কাম বিলাক সেই আচিলা লৈয়েই আধৰুৱা হৈ যাব। এতিয়া চাওক চৰকাৰৰ নীতি হিচাবে এজন মানুহক ৩ হাজাৰ চি, এম, কাঠ দিছে। সেই হিচাবে চি, এফ, টি, হিচাব কৰিলে দেখা যায় ১ লাখ ৫ হাজাৰ চি ,এফ, টি, পাইছে। শুদ্ধকৈ নহলেও মোৰ হিচাব মতে ১ লাখ কিউবিক মিটাৰ দিছে। সেইমতে ১৯৮৩-৮৪ চনত আৰু ১৯৮৪-৮৫ চনত ৩৫ লাখ চি, এফ, টি, কাঠ দিব লাগিব। অসম গেজেটৰ ১৪ জানুৱাৰী, ১৯৮১ চনৰ চেল নটিচত ফৰেষ্ট কোপৰ কাৰণে টেনদাৰ দিয়া হৈছিল। সেই টেনদাৰ মতে শাল কাঠৰ হায়েষ্ট বিট কিমান আছিল? আকৌ ২৯।৭।৮৩ ত চৰ্ট চেল নটিচত হায়েষ্ট বিট কিমান আছিল? মোৰ জনা মতে ৫০ টকা ৫৫ টকা মান আছিল। এইটো তেখেত সকলে ভেৰিফাই কৰি জনাব। আজিৰ ৰেটত সেই কাঠৰ মূল্য ৬০ টকা ৬৫ টকা হব, টেনদাৰ কল কৰিলে ৬০ টকা পালেহেঁতেন এতিয়া ২০ টকাত দিছে, অসম চৰকাৰৰ ৪০ টকা লোকচান হৈছে, এই ধৰণৰ নীতি লোৱাৰ কাৰণে চৰকাৰৰ কিবা সাফল্য হৈছে নেকি নে ৰাজহৰ বৃদ্ধি হৈছে? নেকিবা মঙ্গলসূচক কাম হৈছে? এই কথাটো আমি জানিব বিচাৰিছো। ৪০ টকাকৈ হিচাব কৰিলে দেখা যায় চৰকাৰৰ ১৪ কোটি টকা লোকচান হৈছে। মই আশা কৰো ইয়াৰ এটা ষ্টেটমেণ্ট এই সদনতেই ডাঙি ধৰিব। অসমত বৰ্ত্তমান হিচাব কৰিলে দেখা যায় প্ৰায় ১৫০ টা মান ৰেঞ্জ আছে, যোৱা ২ বছৰৰ ভিতৰত প্ৰত্যেক ৰেঞ্জত ৩ হাজাৰকৈ চি, এম, গড়ে কাঠ ওলাইছে। ৪ লাখ ৫০ হাজাৰ চি, এম বা ১ কোটি ৫৭ লাখ ৫০ হাজাৰ চি, এফ, টি, এই দুই বছৰত গোটেই অসমত ওলাইছে। হিচাব মতে ৪০ টকাকৈ লোকচান হলে আমাৰ ৰাজহৰ প্ৰায় ৬৩ কোটি টকা লোকচান হৈছে। অৱশ্যে মই কোৱা নাই যে এইটো সম্পূৰ্ণ সত্য ফিগাৰ। অনুসন্ধান কৰিলে এইটো ওলাই পৰিব। আকৌ কেতিয়াবা দৰ্খাস্তকাৰীয়ে চি, এফ, টিত বিচাৰিলে তেওঁক চি, এমত দিয়া হয়। হয়তো বিছাৰিলে চৰকাৰৰ নীতিত পাব যে এজন দৰ্খাস্ত-কাৰীয়ে ২০০ চিফটি বিচাৰিছিল। কিন্তু আজি-কালি চি, এফ, টিত নিদিয়ে চি এমত হে দিয়ে। গতিকে চি, এফ, টি কাটি তাৰ ঠাইত চি, এম কৰি দিছে। এনে কৰাৰ ফলত দৰ্খাস্তকাৰী ৩৫ গুণ বেচি কাঠ পালে অৰ্থাৎ ২০০ চি, এফ, টিৰ ঠাইত ৭০০০ চি, এফ, টি পালে। এনেধৰণৰ আসোৱাৰ কথা বিলাক চাব লাগে। এনেধৰণৰ যিবিলাক নীতি লোৱা হৈছে এই বিলাক নীতি বিৰুদ্ধ বুলি মই বিবেচনা কৰো।

গতিকে এই কথা চাব লাগে আৰু এই নীতিটো বিপথে গৈছে বুলিয়েই মই বিবেচনা কৰো। গতিকে ব্যক্তিগত মানুহক পাৰমিট দিয়াটো বন্ধ কৰি দিব লাগে।

মুখ্য মন্ত্ৰীয়ে যেতিয়া বন বিভাগটো তেওঁৰ নিজৰ হাতলৈ নিয়ে তেতিয়া দুমাহ মানৰ কাৰণে ব্যক্তিগত মানুহক কাঠৰ পাৰমিট দিয়াটো বন্ধ কৰিছিল কিন্তু এতিয়া এনেকুৱা হৈছে যে হলতুগাওঁ, কচুগাওঁ আদি ফৰেষ্ট ৰিজাৰ্ভবোৰত মানুহে ৰাতি লাইট জলাইও কাঠ কাটি থাকে। আমি এনেকুৱা কথাও শুনিছো যে এবাৰ পাৰমিট লৈ তিনিবাৰলৈকে কাঠ কাটে। উপাধ্যক্ষ মহোদয়, এই বিলাক কথা শুনিলে বৰ বেয়া লাগি যায়। গতিকে নীতিবিলাক ৰক্ষা নকৰাৰ কাৰণেই এইটো হবলৈ পাইছে। সেইকাৰণে মই পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ বনজ সম্পদ ৰক্ষা কৰাৰ কাৰণে ব্যক্তিগত মানুহক পোনপোটিয়াকৈ কাঠ অপাৰেচন কৰিবলৈ দিয়া বন্ধ কৰিব লাগে। এইটো বন্ধ কৰিব নোৱাৰিলে আমাৰ বনজ সম্পদ ৰক্ষা কৰিব নোৱাৰিব।

গোলাঘাটৰ আন এটা ঘটনাৰ কথা মই কওঁ। তাত মন্ত্ৰীয়ে হুকুম দি ১০০ চি, এফ, টি, কাঠ কাটিবলৈ পাৰমিট দিছিল। কিন্তু তাৰ লগত শূণ্য এটা লগাই দি ১০০০ কৰি ললে। এনেদৰে হাজাৰ হাজাৰ চি, এফ, টি, কাঠ কাটিছিল। উপাধ্যক্ষ মহোদয়, ফাইল চালেই এইবিলাক কথা গম পাব। এইবিষয়ে এবাৰ অনুসন্ধানও হৈছিল আৰু পুলিচকো জনোৱা হৈছিল। কিন্তু কিছুমান দৰখাস্তকাৰী কোন আছিল পুলিচে বিচাৰি নাপালে। তেনেকুৱা ব্যৱস্থা চৰকাৰৰ চলি আছিল। সেই কাৰণে মই ভাবো এই কথাবোৰ পুংখানুপুংখ ভাৱে অধ্যয়ণ কৰি এই নীতি সলনি কৰিব লাগে। অৰ্থাৎ পোনপোটিয়াকৈ পাৰমিট দিয়াটো একেবাৰে বন্ধ কৰি দিব লাগে। এইটো কৰিলে বনবিভাগৰ দুনীৰ্তি বন্ধ হব।

উপাধ্যক্ষ মহোদয়, আন এটা সুন্দৰ ব্যৱস্হা হৈছে ঠিকাদাৰে গছ কাটে আৰু অফিচাৰে সেইবোৰ চীজ কৰে। কাঠবোৰ চীজ কৰাৰ পিচত ঠিকাদাৰে সেইবোৰ কাঠ কিনিবৰ কাৰণে আকৌ দৰখাস্ত কৰে। আৰু চৰকাৰৰ পৰা পাৰ্মিট লৈ সেইবোৰ গছ কিনি নিয়ে। এইবিলাক কথা ৰাইজৰ মুখে মুখে চলি আছে। গতিকে এইবিলাকো বন্ধ কৰিব লাগে।

অলপতে মই এজন উলৰ ব্যৱসায়ীক লগ পাইছিলো। তেওঁ কলে যে এইবাৰ উলৰ ব্যৱসায় একেবাৰে বেয়া। কাৰণ ঠান্ডা একেবাৰে নাই। গছ-গছনী নোহোৱাৰ কাৰণেই এইবাৰ ঠান্ডা নোহোৱা বাবে এনে হৈছে। গতিকে এতিয়া যি হাড়ত অসমত গছ-গছনি নাইকিয়া হৈছে অসমৰ জলবায়ু বদলি হৈ যাব। এই গছ-গছনিয়ে জলবায়ু নিয়ন্ত্ৰণ কৰে। গতিকে গছ-গছনি নহলে বৰষুণ নহব ফলত জলসিঞ্চনৰ ক্ষেত্ৰত অসুবিধা হব। লগতে ইকোলোজিকেল বেলেন্স ঠিক ৰখাটো অসম্ভৱ হয়। গতিকে এই নীতিবোৰ বন্ধ কৰি আজিৰ পৰাই পোণপোটীয়াকৈ পাৰমিট দিয়াটো বন্ধ কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, আন এটা কথা আপোনাৰ জৰিয়তে জনাব বিচাৰিছো। আগতে কম ৰয়েলটিত কাঠ কাটিবলৈ দিয়া হৈছিল। এতিয়া সেইটো বঢ়াই চাৰিগুণ কৰিছে। অৰ্থাৎ ৬.০০ টকাৰ ঠাইত ২৪ টকা কৰিছে। শতকৰা ১০০ দিলে ৪৮ টকা হব আৰু শতকৰা ২০০ কৰিলে ৭২ টকা হব। যিসকল ঠিকাদাৰে কাঠৰ পাৰমিট পাইছে তেওঁলোকে চৰকাৰৰ ওচৰত দৰখাস্ত কৰিছে যে যিমান মনোপলি দিছে আমাৰ অসুবিধা হব। এতিয়া শুনিছো মনোপলি শতকৰা ১০ হব। এইটো শুনা কথাহে। তেনেহলে ৰয়েলটি ২.৪০ টকাহে বাঢ়িব অৰ্থাৎ ২৪ টকাৰ পৰা ২৬.৪০ টকা হব। গতিকে এইটো কথা অধ্যয়ণ কৰি চাব লাগিব। উপাধ্যক্ষ মহোদয়, লগতে চি, এম, বা চি, এফ, টি, দুটাৰ এটাহে যাতে ব্যৱহাৰ কৰা হয় এইটোও চাব লাগে। এইবোৰ ভালদৰে নাচালে চৰকাৰে বহুত পৰিমাণৰ ৰাজহৰ পৰা বঞ্চিত হব। গতিকে এই বিধান সভাতেই এটা সমীক্ষা কৰি জনসাধাৰণক এইবিলাক কথা জনাব লাগে।

উপাধ্যক্ষ মহোদয়, নতুনকৈ গছৰ বাকলিৰ পাৰমিট দিয়াৰ বাবে কিছুমান মহল খোলা হৈছে। মই অলপতে বড়ো সাহিত্য সভাৰ অভ্যাৰ্থনা সমিতিৰ সভালৈ বকোলৈ গৈছিলো। বকোৰ পৰা আহোতে বহুতো গছৰ বাকলি দম হৈ থকা দেখিছিলো। সেইবোৰ পাৰমিটৰ বাকলি বুলি কৈছিল। এই নীতিৰ পৰা চৰকাৰে ৰয়েলটি পাব সচাঁ কিন্তু গছৰ বাকলিৰ কাৰণে হাজাৰ হাজাৰ গছ মাৰি পেলাব। গতিকে এই নীতিটো চলি থাকিলে আমাৰ গছ-গছনি ৰক্ষা কৰাটো সম্ভৱ নহব। চৰকাৰে এই বিষয়েও বিবেচনা কৰি চাব লাগে।

আন এটা কথা হৈছে খৰিৰ বাবে পাৰমিট। আপুনি যদি বকো বা বিজয়নগৰত ট্ৰাকবোৰ চেক কৰে তেনেহলে তাত দেখিব যে সুন্দৰ সুন্দৰ কাঠৰ টুকুৰাবোৰ দেখিব। ৬ ফুটৰ তলত খৰি হয় যদিও কাঠ একে। সেইবোৰ তেওঁলোকে মিলত দি ফালি চি, এফ, টি, ৫০।৬০ টকাকৈ বিক্ৰি কৰে। গতিকে নীতিবোৰ বিপথে যোৱাৰ বাবেই এইবোৰ হৈছে।

সেই কাৰণে উপাধ্যক্ষ মহোদয়, মই বাৰে বাৰে কৈ আছো টেনদাৰ কল নকৰাকৈ কাঠৰ পাৰমিট দিয়াটো বন্ধ কৰিব লাগে। কাৰণ টেনদাৰ নকৰাৰ ফলত কেইজন মান মানুহহে পাৰমিট পাইছে। লগতে মই আকৌ টানি অনুৰোধ জনাওঁ আজিলৈকে যিবিলাক পাৰমিট দিয়া হৈছে সেই আটাইবোৰ বন্ধ

কৰি দিব লাগে। আমি জনামতে যিবিলাক অফিচাৰে গছপুলি ৰুইছে তেওঁলোকে কেতিয়াও এনেবোৰ কাম কৰিব নোৱাৰে। গতিকে এই ক্ষেত্ৰত অফিচাৰ সকলেও কিছু অসুবিধাত পৰিছে। গতিকে যি হাড়ত গছ-গছনি নাইকিয়া হৈছে তালৈ চাই অফিচাৰ সকলৰ মনোভাৱ বদলি কৰিব নোৱাৰিলে ট্ৰাস্ক ফোৰ্চ গঠন কৰিও বনজ সম্পদ ৰক্ষা কৰিব নোৱাৰিব।

উপাধ্যক্ষ মহোদয়; মই এতিয়া আন এটা কথালৈ যাব বিচাৰিছো। আমাৰ নিয়োগৰ সম্পৰ্কে আমি এতিয়া শুনিবলৈ পাইছো যে থ্ৰি এফত যথেষ্ট নিয়োগ কৰা হৈছে। বি, ডি, অ হৈছে, এচিচটেন্ট ইন্সপেক্টৰ হৈছে, লেবাৰ অফিচাৰ হৈছে, এম, ভি, আই হৈছে আৰু পাৰ্বলিচিটি অফিচাৰ হৈছে কিন্তু সেইবিলাক কথা আমাৰ ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। অসম লোক সেৱা আয়োগৰ যোগেদি কিমান পণ্ডিত নিযুক্তি দিয়া হৈছে তাৰো কোনো কথা আমাৰ ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। অসম লোক সেৱা আয়োগটো আমাৰ এটা ন্যায় সম্মত সংস্থা বুলি আমি ভাবো। যিবিলাক গেজেটেদ অফিচাৰ নিয়োগ কৰা হৈছে সেইবিলাকৰো এদভাৰটাইজমেন্ট হোৱা নাই। এখন কল্যানকামী দেশৰ, মঙ্গলকামী দেশৰ প্ৰত্যেক মানুহক সুযোগ দিব লাগিব। বিভাগেই কৰক তাত এটা নীতি থাকিব লাগে। এদভাৰটাইজমেন্ট কৰিব লাগে লৰা বিলাকে দৰ্খাস্ত কৰক, তেতিয়াওঁ অসমৰ লৰাই পাব। এতিয়া আমি এই নীতিৰ পৰা আতৰি গৈছো বুলি ভাবিছো। এতিয়া সেই নীতি নকৰি পোনপটিয়া ভাবে নিয়োগ কৰিছে। গতিকে যুৱক সকলৰ মাজত আসোৱাহ দেখা গৈছে। ব্লক বিলাকতো ৭।৮ বছৰ কাম কৰি থকা এক্সটেনচন অফিচাৰৰ নিয়োগ কৰিছে। ওপৰত সৰু লৰা বি,ডি,অ হিচাবে লোকসেৱা আয়োগে চিলেক্ট কৰি লিষ্ট কৰি দিব আৰু চৰকাৰে তাৰ পৰা নিয়োগ কৰিব। এই নীতি পৰিবৰ্ত্তন নকৰিলে আমি সমালোচনাৰ সম্মুখীন হব লাগিব। সকলো মানুহক সমানে সুযোগ সুবিধা দিব লাগিব। কাৰণ আমাৰ ৰাজ্য কল্যানকামী ৰাজ্য। আগৰ চেচনত মোৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল যে, নিযুক্তিৰ ক্ষেত্ৰত পপুলেচন ৰিফেলন্ট কৰা হব। কি কি সম্প্ৰদায়ক নিযুক্তি দিয়া হৈছে এইটো বিতংভাবে জনাব লাগে। ৰাজ্যপালৰ ভাষণত মুখ্য মন্ত্ৰীয়ে কলিকতাৰ প্লেনাৰি চেচনত মাইনৰিটিৰ বাবে শতকৰা ২৫ ভাগ ৰিজাৰ্ভ কৰা বুলি কোৱা কথাও উল্লেখ হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ কুৰিদফিয়া কাৰ্য্যসূচীত আমি বহুতো আগবাঢ়িছো। গৰীৱ মানুহে পইচা পাইছে বুলি ভাবিলৈ আমি আত্ম সন্তুষ্টি লৈ থাকিলে নহব। সেইবিলাকৰ মূল্যায়ন কৰাৰ সময় হৈছে। গৰীৱ মানুহে পইচা পাইছেনে নাই এইটোৰ এটা মূল্যাংকন কৰিব লাগে। উপাধ্যক্ষ মহোদয়, মই এইখিনিতে চচিয়েল ফৰেষ্ট্ৰিৰ কথা কব বিচাৰিছো। অলপতে দি, চি অফিচৰ এখন মিটিং হৈছিল তাত এম, এল, এ সকলো উপস্থিত আছিল। তাত ২ লাখ গছ পোতাৰ হিচাব দিছে। কিন্তু এই গছবিলাক কত পোতা হল আমি দেখা নাই। মোৰ ব্লকত এজোপাও পোতা নাই। প্ৰত্যেকজন এম, এল, এই কৈছে কাৰে সাৰ্মণ্টিত গছ পোতা হোৱা নাই। ২ লাখ গছ পোতা বুলি দিল্লীলৈ খবৰ পঠোৱা হৈছে বোলে। কিন্তু আমি নাজানো এই ২ লাখ পুলি কত পুতিলে। এইটো কৰিলে আমাৰ মহৎ অন্যায় হব। টকা পইচা খৰচ কৰা হৈছে এই টকা খৰচ কৰাৰ বিনিময়ত আমাৰ জনসাধাৰণ ভুক্তভোগী হব। ১৫ বছৰৰ ভিতৰত আমি ইয়াৰ সুফল পামনে নাই? ৰৰমা ৰাণ্টাৰ দুয়োকাষে মাটিৰ ঢিপ আছে তাঁৰৰ বেৰা ভাঙি গৈছে কিন্তু গছ এজোপাও নাই। আমি আমাৰ লৰা-ছোৱালী বিলাকক গছৰ পুলি বিতৰণ কৰা হৈছে কিন্তু এই পুলি বিলাক লৰা-ছোৱালী বিলাকে পুতিছেনে নাই? নে গছ বিলাক বাটতে পেলাই গৈছে? টকা খৰচ কৰা হৈছে তাৰ ফল পামনে নাই? এইটোৰ এটা মূল্যাংকনৰ প্ৰয়োজন। ইয়াৰ পিচত মই ৰাস্টাৰ কথালৈ আহো। আৰ, এল, ই, জি, পিৰ ৰাণ্টা এটা অক্টোবৰ মাহতে আৰম্ভ কৰা হৈছে। এইটো আমাৰ মাননীয় বিপিন পাল দাস ডাঙৰীয়াই ও চাই আহিছে। এতিয়া টেলিগ্ৰাম কৰিছে যে এই ৰাণ্টাৰ বাবে টেকনিকেল এপ্ৰভেল লাগে। আনহাতে আমাৰ ৰাণ্টা প্ৰায় শেষ হৈছেই। উপাধ্যক্ষ মহোদয়, গৰীৱ মানুহে পইচা পোৱাত পলম হয়, আনহাতে মাণ্টাৰ ৰুল মেইনটেইন কৰিবলৈও অফিচাৰৰ কাউন্টাৰ চাইন লাগে। কিন্তু কাউন্টাৰ চাইন কৰোতে পলম হয়। গতিকে মানুহে সময়মতে টকা নাপায় এইটোৰ মূল্যাংকনৰ অতি প্ৰয়োজন হৈ পৰিছে। আমি লাখ লাখ টকা খৰচ কৰিছো কিন্তু সেইবিলাক কাম সফল হব পাৰিছেনে নাই? আই, আৰ, দি, পিত আমাৰ বহুতো দৰ্খাস্ত পৰি আছে, কাম হোৱা নাই।

উপাধ্যক্ষ মহোদয়, এতিয়া মই সৰু অফিচাৰৰ বিৰুদ্ধে কওঁ। বি, এল, চি, চিৰ মিটিঙত হাতীপাৰা গাৱৰ মানুহে অভিযোগ দিছিল যে, ক্ৰেদিত এক্সটেনচন অফিচাৰে ২ শ, ৩ শ, ৪ শ, ৫ শ, ৬ শ কৰি পইচা লৈছে। আমি বৰ্দবক হৈ গৈছিলো। চৰকাৰে চাৰ্বাচিদি দিব তাবে আধা তেওঁলোকক দিব লাগিব। বেংকৰ ব্ৰান্স মেনেজাৰৰ বিৰুদ্ধেও অভিযোগ দিছিল। বেংক মেনেজাৰে কৈছিল লোৱা নাই। অন্ততঃ ব্ৰান্স মেনেজাৰ জনে জবাব দিছে। কিন্তু এই ক্ৰেদিট অফিচাৰৰ জবাব নোপোৱাৰ বাবে তেওঁৰ ওপৰত শাস্তি বিধান কৰিব লাগে। তাৰ বাবে আমি প্ৰস্তাৱ লৈছিলো। তেওঁক বদলি কৰাও হৈছিল। কিন্তু ওপৰ মহলাৰ পৰা ষ্টে কৰা হৈছে। এইদৰে এই অফিচাৰ জনক ক্ষমতা দিয়াহে হল, দৰ্খাস্ত ফিলআপ কৰিলে ১ শ টকা কৰি লাগে। ৬ শ মানুহৰ দৰ্খাস্ত ফিলআপ কৰিলে ৬০,০০০/- হেজাৰ টকা পায়।

এইবিলাকেই যদি হয় তেন্তে উপাধ্যক্ষ মহোদয়, যিসকল মানুহে ঋণ পৰিশোধ কৰিব সেইসকলৰ অৱস্থা কি হব? সেইকাৰণে ট্ৰাইবেল এৰিয়াত গলে মানুহে কয় আমি আগধন দিব নোৱাৰো আৰু সেইবাবে আমাক টকা নালাগে। গতিকে, আমি আত্ম সন্তুষ্টি লাভ কৰিলেই নহব, কাৰণ ইয়াৰ পৰা আমি একো সুফল নাপাওঁ। সকলো ঠাইলৈ মানুহ যাওক আৰু কাম হৈছে নে নাই চাওক, যদি হোৱা নাই তেন্তে নিয়ম বদলাওক। এখন স্কুলত টকা-পইচা দিছে, কিন্তু আৰ চি চি ঘৰৰ আধাহে হৈছে বেৰা কৰিবলৈ টকা নাই। কাৰণ আইৰণৰদ, বালি, চিমেন্ট, ইটা আদি ট্ৰাকেৰে নিওঁতেই আধা টকা ভাৰা দিওঁতেই যায়। সেই কাৰণে মই কব খুজিছো যে কি ধৰণৰ নীতি ললে কাম হয়, দুখীয়া মানুহে দুপইচা পাই এনে ধৰণৰ নীতি গ্ৰহণ কৰিব লাগে।

আন এটা কথা উপাধ্যক্ষ মহোদয়, উল্লেখ কৰা নাই, সেইটো হৈছে পাঠশালা স্কুল বোৰত শনিবাৰে ক্লাচ নহয়, সেই কথা পেপাৰত ওলাই গৈছে, সেই কথা কিন্তু ৰাজ্যপালৰ ভাষণত উল্লেখ হোৱা নাই। প্ৰাথমিক স্কুলৰ শিক্ষা একেবাৰে বেয়া পৰ্য্যায়লৈ নামি গৈছে। মোৰ সমষ্টি ছয়গাঁৱৰ কথাকে মই কৈছো। চৰ এলেকাত থকা স্কুলত শিক্ষকে স্কুল নকৰে। নকৰিবৰে কথা, কাৰণ তেওঁলোক নদী পাৰ হৈ ইপাৰলৈ আহিব লাগে। থাকিবলৈ ঘৰ নাই। তাৰোপৰি এন, চি ডি আৰ টিয়ে তিনিখন ৰাজ্য ভ্ৰমণ কৰি এটা সমীক্ষা উলিয়াইছে যে ১৫০ দিনৰ পৰা ১৭০ দিনলৈ স্কুল বহিছে। কিন্তু আদৰ্শ দিন হৈছে ২২০ ৰ পৰা ২৪০ দিন। এতিয়া আমি যদি হিচাব কৰোঁ ৩৫০ দিনৰ ভিতৰত ১০৪ দিন দেওবাৰ আৰু শনিবাৰ পৰে। তাৰোপৰি ২৫ দিন চৰকাৰী বন্ধ আছেই। বাকী থাকে মাত্ৰ ২৩৬ দিন। এইবিলাকৰ ভিতৰত গৰমৰ বন্ধ, পূজাৰ বন্ধ আদি দীঘলীয়া বন্ধ আছেই। গতিকে এখেত সকলৰ যিটো সমীক্ষা ২২০ দিনৰ পৰা ২৪০ দিন হব লাগে বুলি কৈছে সেইটো আমি নাপাম। পাঠশালা স্কুলতে লৰা-ছোৱালী ভাল নহলে ওপৰত যিমানেই চেষ্টা নকৰক ভাল ফল নধৰিব। সেইকাৰণে বাতৰি কাকতত ফলচ মাৰ্ক চিটৰ কথা ওলাইছে, ইয়াৰ এটা কাৰখানাই হৈছে। তাৰোপৰি প্ৰাথমিক স্কুলৰ য'ত দুজনীয়া শিক্ষক আছে তাৰ পৰা এজনলৈ গৈছে। এইযে বদলি কৰণ এইটো কাৰ বাবে হৈছে? ব্যক্তিগত শিক্ষক জনৰ বাবে? নে চৰকাৰৰ সুবিধাৰ বাবে নে ৰাইজৰ সুবিধাৰ বাবে? এজনীয়া শিক্ষকৰ কথা বাদেই, যত দুজন আছে তাৰ পৰা যদি এজন লৈ যায় তেন্তে থকাজন নাহিলে স্কুলেই নহয়। এনে ব্যৱস্থা চলি থাকিলে শিক্ষা কেনেকৈ ভাল হব? মোৰ পৰামৰ্শ হৈছে পাঠশালাতে শিক্ষাটো ভাল হব লাগে। আমাৰো কিছু অসুবিধা নোহোৱা নহয়। পাৰাই পাৰাই স্কুল খোলা হৈছে। ইয়াৰ পৰা এটাই কথা হৈছে যে স্কুল একোখন কৰিলে লৰা এটাই চাকৰি এটা পাই। কিন্তু এক মাইলৰ ভিতৰতে যাতে দ্বিতীয় খন স্কুল গঢ়ি উঠিব নোৱাৰে সেই কথাটো চৰকাৰে চাব লাগে। এনে কৰিলে স্কুলত শিক্ষকৰ সংখ্যাও বেছি হব আৰু শিক্ষাৰ মানদন্ডও বাঢ়িব। এইবিলাক নিয়ম নীতিগত হিচাবে কৰিব লাগে। কুৰি দফীয়া কাৰ্য্যসূচীৰ ভিতৰতো এইটো পৰে। সেইবাবে চৰকাৰে শিক্ষাটোও বাধ্যতামূলক কৰিব লাগে আৰু ৰাইজেও যাতে লৰা-ছোৱালী স্কুললৈ পঠাই তাৰো বাধ্যকতা থাকিব লাগে। এইটো হৈছে মোৰ পৰামৰ্শ। তাতোকৈ যদি কিবা ভাল পৰামৰ্শ বা নিয়ম আছে চৰকাৰে কৰক তাত মোৰ আপত্তি কৰিব লগা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰী বিভাগ বিলাক, পি, ডব্লিউ, ডি, পাবলিক হেল্থ ইঞ্জিনিয়াৰিং বা ইৰিগেশ্যন খিয়েই নোবোলক সকলো বোৰেই ঘৰ সজা বস্তু চিমেন্ট আলকাটৰা আদি কিনে। ৰাস্তাৰ চাৰিওফালে আলকাটৰাৰ ড্ৰাম পৰি থকা দেখা যায়। লাখ লাখ টকাৰ ষ্টক কৰাৰ কি দৰকাৰ? যদি

এইবিলাক আনিব লগা হয় তেন্তে ট্ৰেনেৰে আনিব লাগে। ট্ৰাকেৰে আনি দগদগ টকা ভৰাৰ কোনো অৰ্থ নাই। ফলত কণ্ট্ৰলৰ চিমেণ্ট আনিলেও দগদগ খৰচ পৰি যায়। তাতোকৈ আন এটা ডাঙৰ কথা হৈছে চিমেণ্ট বস্তাত প্ৰায়েই আধা ভাগহে থাকে। এইবিলাক কত নাইকিয়া হয়? বাটতে নোহোৱা হয় নে গ'দাওনতে, কোনে এই কাম কৰে? এইবিলাক চৰকাৰে চাব লাগে। এতিয়া চিমেণ্ট নোহোৱাৰ ফলত নেচনেল হাইউৱেৰ দলঙৰ কাম আধাৰুৱা হৈ আছে।

উপাধনক্ষ মহোদয়, অসম ভৱন আমাৰ কলিকতা আৰু দিল্লীত আছে আৰু এতিয়া বম্বে আৰু মাদ্ৰাজত সাজিবলৈ লৈছে। কিন্তু আমি জানিব বিচাৰিছো যে এই বিলাকত কাক কাক থাকিবলৈ দিয়া হব সেই সম্পৰ্কত কিবা নীতি নিৰ্দ্দেশনা আছেনে নাই? দিল্লীৰ অসম ভৱনত এটা ভি আই পি ৰোম আৰু সেইটোৰ নং ১২। তাত জানিব পাৰিছিলো যে সেইটোত কোনোৱা মহিলাক দিয়া হৈছে থাকিবলৈ। অসম ভৱনত ৭ দিনৰ বেচি থাকিলে দগদগ ভাৰা দিব লাগে। তাত থাকিবলৈ গৈ চৰকাৰী কামত যোৱা এগৰাকী মহিলাই মোক সুধিছিল যে তেওঁক থাকিবলৈ জাগা দিব নোৱাৰে আৰু হোটেলত থাকিবলৈ যাব দিছিল। এগৰাকী মহিলাই কেনেকৈ অকলে হোটেলত থাকে? অথচ সেই সময়ত সেই ৰোমটোত সেই মহিলা গৰাকী কেনেকৈ আছিল, কিমান দিন আছিল আৰু তাৰ বাবদ কিমান টকা পোৱা হল? এইবিলাক কথা লক্ষ্য কৰিব লাগে। এইবিলাক ভৱনত নিয়ম মতে থাকিবলৈ দিব লাগে।

মই বন বিভাগৰ এটা কথা কবলৈ পাহৰিলো সেইটো হৈছে এটা কাঠৰ কোপত ১৯৬০ চনতেই শালকাঠ চুৰি হৈছিল। তাৰ কাৰণে এতিয়া পাৰমিট দিছে। সেই দিনৰ দাম আৰু আজিৰ দাম একে আছেনে? সেই কাৰণে মই কব বিচাৰিছো যে চৰকাৰে যিবিলাক নীতি আগতে লৈছিল সেই মতেই কাম কৰিব লাগে। আমি যাতে সমালোচনাৰ পাত্ৰ হবলগা নহয় তাৰ কাৰণে চাব লাগে। সেই নীতি বিলাকৰ পৰা যাতে জনসাধাৰণে সুফল পায় তাৰ কাৰণে নজৰ দিব লাগে। মই এই কেইটা পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীহেমেন দাস ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সংশোধনী হিচাবে আগবঢ়াওতে প্ৰথম সংশোধনীটো দিছিলো যে দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব লাগে। অৱশ্যে মোৰ কথা মাননীয় সদস্য শ্ৰীতালুকদাৰ ডাঙৰীয়াই বহুখিনি কৈ গৈছে। যি হওক মই এই বিষয়লৈ যোৱাৰ আগতে আমাৰ ৰাজ্যখনৰ ৰাজনৈতিক পৰিস্থিতিৰ সম্পৰ্কত ৰাজ্যপালে দিয়া ভাষণৰ ওপৰত এই কথা বিলাক আলোচনা কৰিব বিচাৰিছো। তেখেতে ভাষণত কৈছে যে "সুনিশ্চিত বিজয় হৈছে"। মই এইটো মানি লব নোৱাৰো। এইটো অতিৰঞ্জিত হৈছে। অৱশ্যে স্বাভাবিক পৰিস্থিতিলৈ ঘুৰি আহিছে সেইটো কথা মই মানি লব পাৰো। কিন্তু সুনিশ্চিত বিজয় হৈছে বুলি কব নোৱাৰো। অসমত আজিও এনে অৱস্থা চলি আছে যে জনজাতীয় ছাত্ৰই গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ পৰা মাজ ৰাতি পলাই যাবলগীয়া হৈছে। এনে ধৰণৰ বিভিন্ন খবৰ আমি বাতৰি কাকতত পাই আছো। এই বিলাক কাম যিহেতুকে সাম্প্ৰদায়িক শক্তি বিলাকে কৰি আছে সেই কাৰণে সুনিশ্চিত বিজয় হৈছে বুলি মই মানি লব নোৱাৰো। যোৱা ৫ বছৰত বিদেশী আন্দোলনৰ নামত যি বিলাক মানুহ সোমাই পৰিছিল তাৰ যে কিছু সংখ্যক ওলাই আহিছে সেইটো সঁচা। গণ আন্দোলনত যি লাখ লাখ মানুহ সোমাই পৰিছিল এতিয়া যে সিমান নাই সেইটো মানিবই লাগিব। বিদেশী নাগৰিকৰ সমস্যা সমাধান হোৱা নাই। এই সম্পৰ্কত প্ৰধান মন্ত্ৰীয়ে ব্যৱস্থা কৰিম বুলি কৈছে। আমি ভাবো যেতিয়ালৈকে এই মূল সমস্যাৰ সমাধান নহয় তেতিয়ালৈকে এই শক্তি বিলাকৰ পৰাজয় নহয়। এই আন্দোলনত বহুত বিলাক উগ্ৰপন্থী সোমাই পৰিছে। যাৰ ফলত হত্যা আদি ঘটনা বিলাক ঘটি আছে। সো সিদিনা দিন দুপৰতে এজন কংগ্ৰেছীলোক গুলিয়াই হত্যা কৰিলে। এতিয়াও বহুত আন্দোলনত জড়িত লোক বৰ্মাত প্ৰশিক্ষণ লৈ আছে। দুলিতপুৰ জিলাৰ ১২ জন লোক এতিয়াও ঘুৰি অহা নাই। প্ৰশিক্ষণ লৈ ঘুৰি আহি কিছুমান লোকে আত্মসমৰ্পণ কৰিছে। নগাপাহাৰত আন্দোলন হৈছিল স্বাধীন ৰাজ্যৰ কাৰণে। তাত কেৱল নগালোকহে আছিল। আৰু সকলো নগালেণ্ডতে সীমাবদ্ধ আছিল। কিন্তু অসমৰ আন্দোলন অসমতে সীমাবদ্ধ থকা নাই। বাৰ্মাত প্ৰশিক্ষণ লৈ কাশ্মিৰৰ উগ্ৰপন্থীৰ

* Speech not corrected.

লগতো যোগাযোগ চলাই আছে। উগ্ৰপন্থী সকলৰ শক্তি সম্প্ৰসাৰিতহে হৈছে সংকোচন হোৱা নাই। ৰাজ্যপালৰ ভাষণত এই বিলাক কথা নাই কাৰণেই জনসাধাৰণক অবগত কৰিব বিচাৰিছো। ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু আপোনালোকৰ প্ৰিয় নেতৃক হত্যা কৰিলে। তাৰ পিচতে খবৰ পোৱা গল যে উচ্চ পদস্থ চৰকাৰী বিষয়া যোৱা ২৫ বছৰ ধৰি চুৰাং চোৰা কাৰবাৰত লিপ্তহৈ আছিছে।

দেশখন আজিও বিপদ মুক্ত হোৱা নাই। অধ্যক্ষ মহোদয়, আপুনি জানে, সকলোৱে জানে যে ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীক শিখ উগ্ৰবাদীয়ে হত্যা কৰিলে। ভাৰত বৰ্ষৰ সেৱাৰ সলনি আজি ২৫ বছৰে চোৰাং ছোৱা গিৰি কৰিলে, কুমাৰ নাৰায়ণে আজিও আমাৰ দেশ বিপদমুক্ত হোৱা নাই। সেইবিলাক দস্যুৰ ওপৰত আজিও চোকা নজৰ ৰাখিব লাগিব। তাৰ ওপৰি আমাৰ এই অসম খনৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কম নজৰ ৰাখে। কেৱল আমাৰ অসম খনতেই নহয় দেশৰ কেওঁফালে বিভিন্ন উগ্ৰপন্থী দলে কাম-কাজ কৰি আছে। নাগালেণ্ড, মনিপুৰ, মেঘালয়া, অসমকে ধৰি সকলো ঠাইতে কেন্দ্ৰীয় চৰকাৰে তত্তাৱধান ৰাখি চোকা নজৰ ৰাখিব লাগে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কোনো তৎপৰতা দেখা নাই এই ক্ষেত্ৰত। আনকি প্ৰধান মন্ত্ৰীক হত্যা কৰাৰ পাচতো কোনো ধৰণৰ সচেতন হোৱা নাই। উপাধ্যক্ষ মহোদয়, অলপতে শিৱসাগৰত মেডাম মেফিত কোন কোন মানুহে ভাগ লৈছিল আৰু কোন কোন আহিছিল সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰে কি দৃষ্টি ভঙ্গি লৈছে? ইয়াত কোন কোন মানুহ আহিব বুলি লিখিছিল মানুহৰ তালিকাও আছিল। ২৪ জনীয়া এখন তালিকা আছিল। তাৰ ভিতৰত চিচং চোচাইটিৰ এজনক বাদ দিয়া হৈছিল। আমেৰিকা, পশ্চিম জাৰমানি, অষ্ট্ৰিয়া এই বিলাক ঠাইৰ পৰা তেওঁলোকৰ নাম বিলাক আহিছিল। তাৰ ভিতৰত দুই এটা নাম মই কওঁ লিজাৰদ, হুই ওৱন; এই কেইজনক আহিব নিদি ভাল কাম কৰিলে। কিন্তু যিকেইজনক আহিব দিলে তৰি ভিতৰতো খবৰ লোৱাৰ প্ৰয়োজন আছিল। তাৰ ভিতৰত আহিল ডঃ নিক্কা মেডিনভা, ৭২ বছৰ বয়স। ডঃ অমাত্য পুল, মেজৰ জেনেৰেল। তেওঁলোকে মেডাম মেফিত যোগদান কৰিব আহিছে, ভাল কৰিছে। তাৰ আমাৰ আপত্তি নাই। কিন্তু তেওঁলোকো চৰাইদেউ চাবলৈ যায় পকেটৰ পৰা মেপ এখন উলিয়াই তাত তেওঁ-লোকৰ 'মন' বিছাৰিব ধৰিলে। 'মন' বিছাৰিব ধৰিলে মানে চোৰাং ছোৱা গিৰি কৰিবলৈ ধৰিলে, কাৰণ এই মেজৰ জেনেৰেল জন হ'ল সৈন্য বিভাগৰ মানুহ। এই বিলাকৰ খোজ খবৰ কৰাতো প্ৰয়োজন আছিল। খোজ খবৰ নকৰাতো দেশৰ কাৰণে অন্যায় হৈছে। ভাৰত চৰকাৰে এই খন দেশলৈ যিখিনি মানুহ আহিব খুজিছিল, আহিব নিদি সেই সম্পৰ্কে ভালদৰে জানি শুনি লোৱাতো দৰ্কাৰ আছিল। এটা অন্ধ আবেগক লৈ এখন দেশ টিকি থাকিব নোৱাৰে। আমেৰিকাৰ পৰা জগজিত সিং চৌহানক আহিব নিদিলে কিন্তু ৰেডিওত খালিস্থান আৰম্ভ কৰিলে। আজি আন্দোলনৰ পৰা বহুত মানুহ আতৰি আহিছে। সেই কাৰণে ভাল পাইছো। কিন্তু মই কওঁ যে এতিয়াও দেশখন বিপদ মুক্ত হোৱা নাই। এনথ্ৰোপলজিৰ, এ, ডাব্লিউ, এচট্ৰিক আমাৰ দেশলৈ তথ্য সংগ্ৰহ কৰিবলৈ আহে। ১৯৭৯ চনত এগৰাকী ফৰাচী ছোৱালী আহি গুৱাহাটীৰ এজন ভদ্ৰলোকৰ ঘৰত থাকি যায়। গতিকে কোন আহিছে কোন গৈছে চৰকাৰে তাৰ কোনো দৃষ্টি গোচৰ কৰা নাই। আজি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিব লাগিব যাতে কেন্দ্ৰীয় চৰকাৰে দেশ ৰক্ষাকামত অগ্ৰাধিকাৰ দিয়ে। মই এই কথা কব খুজিছো যে আমাৰ দেশ খনৰ নিৰাপত্তা ৰক্ষাৰ কাৰণে ৰাজনৈতিক দায়িত্ব থকাটো আৱশ্যক। দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত ৰাজনৈতিক ভাবে সম্পূৰ্ণ দায়িত্ব থকাটো উচিত যাতে আমাৰ দেশৰ মানুহ বিলাক বিপদগ্ৰস্ত নহয়। এই ৰাজ্যৰ এজেণ্ট সকলৰ হাতত দেশৰ পৰিচালনাৰ দায়িত্ব দিলে দেশ তিকি থাকিব নোৱাৰে। সেই দেশৰ বিচ্ছিন্নবাদী শক্তিৰ দলটোৰ পৰিচালনাৰ পৰা আমাৰ লোক সকলক আতৰাই আনিব লাগে। অসমৰ গাঁৱে-ভূৱে যিসকল লোক এতিয়াও বিচ্ছিন্নবাদী শক্তিৰ কবলত পৰি আছে তেওঁ-লোককো আতৰাই আনিব লাগে। মই এতিয়াও এটা কথা কওঁ যে তেওঁলোকৰ ওপৰত বিজয় লাভ এতিয়াও সুনিশ্চয়তা হোৱা নাই।

অধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ দুনীৰ্তিয়ে কি স্তৰ পাইছেগৈ তাৰ কেইটামান নমুনা মই আপোনালোকৰ ওপৰত ডাঙি ধৰিব খুজিছো। আপোনালোকে শুনিলে আচৰিত হব যে এখন স্কুলৰ কাৰণে চৰকাৰৰ পৰা ১০ হেজাৰ টকাৰ এটা মঞ্জুৰী ঘৰ সজাৰ কাৰণে পাইছিল। এই ১০ হেজাৰ

মঞ্জুৰী টকা যেতিয়া খৰচ কৰা হল তেতিয়া ৰাইজে সেই টকাবোৰ কেনেকৈ খৰচ কৰা হল তাৰ হিচাৰ জানিব বিচাৰিলে। ইয়াৰ কাৰণে এখন আভ্যন্তৰীণ হিচাব পৰীক্ষক কমিটিও গঠন কৰা হল। এই কমিটিয়ে তেওঁলোকে যি হিচাব ডাঙি ধৰিলে তাত অন্যান্য খৰচৰ লগতে এম, এল, এক এক হেজাৰ আৰু ডি, আইক পাচশ টকা দিয়াৰ হিচাব ডাঙি ধৰিছে। এই কথাটো লৈ বহুতো মতবাদ চলিল। কিন্তু শেষত সৰ্ব্বসম্মত ক্ৰমে এই খৰচটোও গ্ৰহীত কৰা হয়। আপোনালোকে এই হিচাবটো যদি চাব বিচাৰে তেনেহলে তেওঁলোকৰ যি কেচ বুক আছে তাৰ ৮৩ নং পৃষ্ঠাত বিচাৰিলে পাব। ৭।৫।৮৩ তাৰিখে এম, এল, এক এক হাজাৰ টকা আৰু ২৯।৫।৮৩ তাৰিখে ডি, আইক ৫০০ টকা দিয়াৰ কথা লিখা আছে। অধ্যক্ষ ডাঙৰীয়া, আজি কেন্দ্ৰীয় চৰকাৰেই হওক বা আমাৰ ৰাজ্যিক চৰকাৰেই হওক সকলোৱে এক মুখে দুৰ্নীতি দূৰ কৰিব বিচাৰিছো— এইটো বৰ ভাল কথা। ইয়াত সকলোৱে সহযোগ দিয়া উচিত আৰু আমিও সহায়-সহযোগ আগবঢ়োৱাৰ কাৰণে সাজু আছো। কিন্তু তেওঁ-লোকে কৈছে এটা আৰু কৰিছে এটা। সেই ফালৰ পৰা যদি আমি চাও তেনেহলে আমি চিন্তা কৰিব লাগিব আমি বৰ্ত্তমান কি অৱস্থাত বসবাস কৰিছো। ই এক ভয়াবহ অৱস্থা, ভাবিলে ভয় লাগে। আপোনালোক সকলোৱে দেখিছে যে ৰাজ্যপালৰ ভাষণৰ প্ৰথম পৃষ্ঠাতে লিখা আছে—'সত্য মেৰ জয়তে'। কিন্তু তাৰ বিপৰীতে আজি দেশখনে যি স্তৰলৈ গুছি গৈছে সেই আটাইবোৰ কথা যদি আমি সকলোৱে চকু মুদি থাকো তেনেহলে এক বিৰাট অন্যায় কৰা হব। অলপ আগতে মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই চিলচৰৰ চাৰ্কিত হাউচত হৈ যোৱা ঘটনাৰ বিষয়ে উল্লেখ কৰিছে। এনেবোৰ ঘটনা জানো আমাৰ কাৰণে লাজৰ বিষয় নহয়। আজি আমি নৈতিক বিকাশৰ কথা কৈছো কিন্তু এই নৈতিক বিকাশ জানো আমাৰ আজি আছে? আজি জনসাধাৰণৰ মাজত শান্তি শৃংখলা ৰক্ষাৰ কাৰণে যি পৰিবেশৰ প্ৰয়োজন সেই পৰিবেশ নাই।

আমাৰ চৰকাৰে কেইটামান নতুন কাৰ্য্যসূচী হাতত লৈছে। এই আচঁনিবোৰ কাৰ্য্যকৰি কৰোতে আমাৰ বাকীবিলাক সদস্যই যি ধৰণে কষ্ট কৰিছে মন্ত্ৰীয়ো তাতকৈ কম কষ্ট কৰা নাই। এই আচঁনিবোৰৰ জৰিয়তে দুখীয়া লোকক এবেলা খোৱাৰ যি ব্যৱস্থা আছিল সেইটো সচাকৈয়ে ভাল আচঁনি। এই আচঁনিবোৰ হ'ল— আই, আৰ, দি, পি, আৰ, এল, ই, জি, পি, আৰু এন, আৰ, ই, পি আদি। কিন্তু এই আচঁনিবোৰৰ যি উদ্দেশ্য সি সঠিক ভাবে পূৰণ হৈছে জানো? মই অলপতে ৮ মাইল ৮ মাইল মুঠ ১৬ মাইল ৰাষ্টা চাইকেল কৰি মালিকপুৰ ব্লকলৈ গৈছিলো তাত গৈ দেখিছিলো আৰ, এল, ই, জি, পি আচঁনিৰ অধীনত চাৰে তিনিলাখ টকাৰ এটা ৰাষ্টাৰ কাম সম্পূৰ্ণ কৰা হয়। আৰু এই ৰাষ্টাটো মুকলি কৰে এজন এম, এল, এ প্ৰাৰ্থীয়ে। ৰাষ্টাওৰ উদ্বোধনী ভাষণত নেতা গৰাকীয়ে চৰকাৰে হাতত লোৱা আচঁনিবোৰ আৰু তাৰ পৰা দুখীয়া ৰাইজে পোৱা সুবিধাবোৰৰ কথা সদৰি কৰে। কিন্তু এই ৰাষ্টাটো কি আচঁনিৰ অধীনত আৰু কাৰ হতুৱাই কৰালে সেইটো চাবলৈ গলে আপোনালোক সকলো আচৰিত হব। এই ৰাষ্টাটোৰ কাম প্ৰকৃততে হব লাগিছিল উক্ত আচঁনিৰ নিয়ম অনুসৰি— দুখীয়া কৰ্ম্ম মজুৰীৰ হতুৱাই, যিয়ে এদিনৰ কামৰ বিনিময়ত ১২ টকাকৈ পায়। কিন্তু তাকে নকৰি এই কাম দিয়া হল এজন ঠিকাদাৰক। যিয়ে নেকি এহেজাৰ মাটি কটাৰ বিনিময়ত ৭০-৮০ টকাকৈ মজুৰী দিছিল। গতিকে এই আচঁনিৰ জৰিয়তে দুখীয়া ৰাইজ যি ধৰণে উপকৃত হব লাগিছিল তেনেধৰণে নহল। ফলত আমি সকলোৱে কুৰি দফীয়া আচঁনিৰ জয়ঢোল বজাইছো যদিও সেই আচঁনিক জীয়াই জীয়াই কবৰহে দিয়া হৈছে। এসময়ত আমি আধিয়াৰ, চিলিং আইন আদি প্ৰৱৰ্ত্তন কৰিবৰ কাৰণে জেইল খাব লগা হৈছিল। কিন্তু এতিয়া চৰকাৰে এইবোৰ কাৰ্য্যকৰি কৰোতে কৰিছে কি? আজি এনে ঘটনা মানিকপুৰতে যে হৈছে এনে নহয়, বৰপেটাৰ জালাহতো মজুৰী সকলে ১২ টকাকৈ পাবলগীয়া ধন পোৱা নাই।

Mr. Deputy Speaker:—The House stands adjourned till 2.30 P. M. today.

(The House re-assembled after lunch at 2.30 P. M. with Hon'ble Mr. Speaker in the Chair)

Mr. SPEAKER—Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I called a meeting of the Business Advisory Committee at 12.30 P. M. today, the 12th March, 1985.

The Committee after discussion decided that the obituary reference will be taken up after the announcement of the Report of the Business Advisory Committee after which the House will be adjourned for the day.

The Committee further finalised the time table for Voting on Demands for Grants. The time table will be circulated to the Hon'ble Members today.

I hope this has the approval of the House.

( Voices : Yes, Yes. )

## OBITUARY REFERENCE

I rise to condole the death of Mr. Konstantin Chernenko the Soviet President and General Secretary of the Communist Party of the Soviet Union.

Mr. Chernenko became the President of U. S. S. R. after the death of Mr. Yuri Andropov. Mr. Chernenko was a stern follower of Brezhnev former President of the U.S.S.R. He was born in Siberia and had a reputation of being an able organiser. He was very much keen in the peaceful settlement of all disputable international problems through serious and constructive talks and he reaffirmed his country's faith in the United Nations to preserve world peace.

Mr. Chernenko had a genuine interest for averting nuclear catastrophe and to ensure lasting peace. He also took keen interest for resuming the present Geneva talks arranged between United States of America and the U.S.S.R. on reduction of unclear weapons for the survival of mankind.

Mr. Chernenko was also a sympathiser with the requirements and development of the people of the Third World and expressed his country's solidarity with the people who have shattered the fetters of the colonial dependance and embarked on the path of development.

Mr. Chernenko died on 10th March, 1985 at the age of 73 due to illness. He continued in office as the President of U.S.S.R. for 13 months. He has left behind his wife and daughter.

I now request all Hon'ble Members to rise in their seats to observe two minutes silence as a mark of respect to the departed soul.

(The House observed two Minute's silence)

The House stands adjourned till 10 A. M. tomorrow the 13th March, 1985.

## ADJOURNMENT

The House then rose at 2—37 P.M. and stood adjourned till 10 A.M. on Wednesday, the 13th March, 1985.

Dated Dispur :
The 12th March, 1985.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

AGP. (Mini) L. A.—23/86—1,500—9-7-87.